প্ৰণয়ৰ প্ৰদীপ

THE NABIN BARDOLAI HALL & LIBRARY
13 SEP 1959
GAUHATI

শ্ৰীনিৰ্ম্মল চন্দ্ৰ বড়া

নিউ বুক ষ্টল
শিৱসাগৰ
অসম

প্ৰকাশক আৰু পৰিবেশক—
শ্ৰীপূৰ্ণানন্দ বড়া
নিউ বুক ষ্টল,
শিৱসাগৰ,
অসম।

প্ৰথম প্ৰকাশ—
চেপ্টেম্বৰ,
১৯৫৮ চন।

লিখকৰ দ্বাৰা
সৰ্ব্বস্বত্ব সংৰক্ষিত।

মূল্য

নিবেদন

ৰামায়ণ-ভাগৱতৰ দিনৰ পৰাই চলি অহা প্ৰণয় পাহিবোৰৰ পাত মেলিলে দেখিবলৈ পোৱা যায় কি ? প্ৰত্যেক প্ৰেমিক প্ৰেমিকাৰ হিয়াই হিয়াই উমি উমি জ্বলা একোৰা জুই। ইয়াক যদি ভালকৈ বিশ্লেষণ কৰা যায়, বহুতো কথাই আহি পৰে। কিন্তু সেই দিনটো প্ৰকৃত ভাল পোৱা জীয়াই ৰাখিবলৈ যাওঁতে বহুতো বাধা বিঘিনি আহি পৰিছিল। আনকি সতীৰ সতীত্ব ৰক্ষা কৰিবলৈ যাওঁতে প্ৰাণ পৰ্য্যন্তও দিব লগা হৈছিল। কুৰি শতিকাৰ মানৱ সভ্যতাৰ যুগত জ্ঞানৰ ভড়ালৰ চাবি কাঠী খুলি চালে দেখিবলৈ পোৱা যায় কি ? সভ্যতাৰ উচ্চ শিখৰত উঠা সমাজে আওপাকেৰে বাট বুলি অন্যায় অবিচাৰে সংকীৰ্ণ দুৰ্ব্বল ভাববোৰ লৈ সত্য পথৰ পৰা বিচলিত হৈ পৰে। অকল প্ৰণয়েই নহয়, ভালপোৱাই নহয়, মৰমেও নহয়, জাতি বৰ্ণ নিৰ্বিশেষে জীৱনৰ মানদণ্ড উন্নত কৰা আৰ্থিক, সামাজিক অন্যান্য সকলো চিন্তা কৰা সমাজখনটো কেৰোণে ধৰা নাই এনে নহয়। এটা জাতি জীয়াই ৰাখিবলৈ হলে মৰমৰ ডোকাবোৰ ভাঙি দিলে জানো পৃথিৱীৰ জাতি সমূহে উৰি ফুৰি পোহৰ বিলাব পাৰে ? যি জাতিয়ে মৰমৰ সলনি মৰম, হিয়াৰ সলনি হিয়া, তেজৰ সলনি তেজ -দিব নোৱাৰে, সেই জাতি জীয়াই থকাতো জানো সম্ভৱপৰ ? এখনি ঘৰ, এখন গাঁৱ, এটা মৌজা, এখন জিলা, এখন প্ৰদেশ, এখন দেশ, এখন দেশৰ পৰা এখন ঘৰলৈ ভাবি চালে দেখিবলৈ পোৱা যায় যে এটি স্বাৰ্থৰ কাৰণে সকলো বলীয়া হৈ নিজক পাহৰি গৈছে। নিজ স্বাৰ্থৰ খাতিৰত

নিজক ডাঙৰ বোলোৱা সভ্যতাক নেওচি বৰ্ব্বৰৰ পৰিচয় দিয়ে, হয়তো কোনোৱে নাজানে, কিন্তু সকলোৱেই জানে।

মন আকাশৰ ডাৱৰ ভাঙি অহা কল্পনাৰ থুপিবোৰ, প্ৰাণৰ মাজত গুজৰি-গুমৰী থকা অভজা ভাষাবোৰ লিখি গৈছো মাঁথো, সেই বুলি মই সাহিত্যিকৰ শাৰী পুৰাই সাহিত্যিক বুলি পৰিচয় দিব খোজা নাই। মাথোঁ, এইটো যুগৰ তপত বুকুত লিখি গৈছো প্ৰণয়ৰ প্ৰদীপ। ই সামান্য লিখকৰ অতি সামান্য। বাওনা হৈ চন্দ্ৰলৈ হাত মেলাৰ দৰে ইয়ো মোৰ লিখনি।

এই কিতাপখনি হাতে লিখা অৱস্থাতে গুৱাহাটীৰ শ্ৰীকিৰণ শৰ্ম্মাদেৱে চাই ছাপাশালত দিবলৈ কৈ যি মোক উৎসাহ দিলে। তাৰ বাবে তেখেতলৈ ধন্যবাদ জনালোঁ। শ্ৰীমান ভাইটি শ্ৰীপুষ্পেন্দ্ৰ নাথ সাউদে ছাপাশালত দিব পৰা কৈ কিতাপখনি কপি কৰি দিয়াত, তেওঁ মোৰ শলাগৰ পাত্ৰ। আৰু একেইবা জনো লিখনিত ৰাপ থকা বন্ধুৱে কিতাপখনি ছাপা কৰি উলিয়াবলৈ উদ্‌গনি দিয়াত তেখেত সকললৈ ধন্যবাদ জনাইছোঁ। বন্ধুবৰ নিউ বুক ষ্টলৰ মালিক শ্ৰীপুৰ্ণানন্দ বড়াদেৱে কিতাপখনি প্ৰকাশ কৰি দিবলৈ গাত লোৱাত তেখেতলৈও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সদৌ শেষত লিখনিৰ ভুল-ত্ৰুটীৰ বাবে পঢ়ুৱৈ সমাজে নিজে শুধৰাই পঢ়ি লিখকক উৎসাহিত কৰে যেন। এইয়ে মোৰ নিবেদন। ইতি—

শিৱসাগৰ
২০।৭।৫৮

বিনীত
নিৰ্ম্মল

THE ... LIBRARY
13 SEP 1959
G... ATI

সাহিত্য সাধনাৰ বস্তু। চৰ্চ্চা আৰু সাধনাই সাহিত্যকৰ জীৱনলৈ কৃতকাৰ্য্যতা আনে। একে লেঠাৰিয়ে কাপ অৰু কাকতৰ লগত সময় কটাব পৰা মানুহেই উপন্যাস ৰচনা কৰিব পাৰে; উপন্যাস সময়ৰ মূৰত চাব মাৰি দুযাৰী লিখি এৰা ধৰাকৈ সৃষ্টি কৰিব পৰা বস্তু নহয়। উপন্যাস সৃষ্টিৰ বাবে লাগে, একাগ্ৰতা; সূক্ষ্ম পৰ্য্যবেক্ষণ আৰু মোহলগা ভাষাৰ সাৱলীল প্ৰকাশ ভঙ্গী—। তদুপৰি আধুনিক উপন্যাসৰ প্ৰধান লক্ষণ হৈছে মানুহৰ মনৰ দুৱাৰডলিৰ সিপাৰে থকা মূল কথাবেৰৰ সূক্ষ্ম-বিশ্লেষণৰ চেষ্টা।

'ঘৰৰ লাখিমী' আৰু 'কেঁচা তেজৰ চেকুৰা'ৰে সাহিত্যিক জীৱনৰ পাতনি মেলা শ্ৰীনিৰ্ম্মলচন্দ্ৰ বৰাৰ "প্ৰণয়ৰ প্ৰদীপ" তৃতীয় পুথি। সমাজ-সেৱাৰ কামত আত্মনিয়োগ কৰা বৰাই সামাজিক জীৱনত ঘটি থকা কাহিনী এটিকে মূল কৰি লৈ তাতে মানুহৰ আদিম বুভুক্ষা প্ৰণয়ৰ বোল সানি এই উপন্যসখনি লিখি উলিয়াইছে। লিখকৰ চৰ্চ্চা আৰু সাধনাই পূৰ্ণতাৰ পাৰত ভৰি দি অসমীয়া ভাষা আৰু সাহিত্যৰ উত্তৰোত্তৰ উন্নতি সাধনত সহায়তা কৰক। ইতি

চেৰেকাপৰ,
শিৱসাগৰ
২।১০।৫৮

শ্ৰীলীলা গগৈ

বন্ধুবৰ শ্ৰীনিৰ্ম্মলচন্দ্ৰ বৰাদেৱৰ "প্ৰণয়ৰ প্ৰদীপ" মই পঢ়ি চাইছো। ই তেখেতৰ তৃতীয় গ্ৰন্থ যদিও কোনো ঠাইত হয়তো ভাবৰ ক্ৰম হেৰাব পাৰে বা ভাষা সৌৰভৰে হীন ডেঢ়ী ঘটিব পাৰে; কিন্তু সেইবুলি ই অসমীয়া সমাজৰ এখন প্ৰতিমূৰ্ত্তি আৰু ইয়াৰ কথাখিনিও নিখুঁত অসমীয়া। পৰশ্ৰী কাতৰ সমাজ ব্যৱস্থাই মানুহৰ ইচ্ছা আৰু কৰ্ম্মত যে বাধা দিব নোৱাৰে তাৰ ইন্ধন শ্ৰীবৰাদেৱে ইয়াত বঢ়িয়াকৈ দিছে। বাৰীৰ শকত অমিতাটো আৰু কলকেইটা বিলাতী বুলি কৈ বিদেশীক তেল-পানী যোগোৱাটো আমাৰ যেতিয়া স্বভাৱ, দুই-চাৰিখন ইংৰাজী আৰু বঙ্গালী পুথি পঢ়ি অসমীয়াত লেখক নাই বুলি এক উশাহেই কোৱাটোৱো আমাৰ চৰিত্ৰ। গতিকে মানুহত মূল্য নিদি, কথাত মূল্য দিলে 'প্ৰণয়ৰ প্ৰদীপ'টো দুই চাৰিটা হলেও যুগৰ-বাণী আৰু সমাজ সংস্কাৰৰ ইঙ্গিত নিশ্চয় নোপোৱাকৈ নেথাকে।

মই শ্ৰীবৰাদেৱৰ যত্নৰ শলাগ লৈছো, সফলতাৰ কামনা কৰিছো আৰু ভবিষ্যতেও দেশ মাতৃক যাতে এনেহেন মহান সম্বলেৰেই সেৱা কৰিবলৈ চেষ্টা কৰে, তাৰ কাৰণে আশাভৰা হিয়া লৈ, তেখেতৰ দেহ, মন আৰু আত্মাৰ উন্নতিৰ কাৰণে ভগবানক খাটিছো। শ্ৰীবৰা আপোনা সকলৰ কৰুণা ভিক্ষাৰী।

শ্ৰীহেম বৰুৱা

২৭।৯।৫৮

THE ASSAM ... HALL & LIBRARY
13 SEP 1959
G ... ATI

শলাগৰ শৰাই—

মোৰ এই সামান্য কিতাপ খনি হাতে লিখা অৱস্থাতে চকু ফুৰাই চাই, সাহিত্যিক শ্ৰীযুত লীলা গাগৈ দেৱ ও শ্ৰীযুত হেম বৰুৱা দেৱে মন্তব্য প্ৰকাশ কৰি লিখকৰ প্ৰতি যি উৎসাহ যোগালে, তেখেত সকললৈ মোৰ হিয়া ভৰা শলাগৰ শৰাই আগ বঢ়ালো।

ইতি
নিৰ্ম্মল

অৰ্পন—

নতুন পোহৰৰ পথত বাট কুৰি বোৱা-ৰাম ৰাজাৰ সপোন দেখা হিয়াৰ মাজত গুঞ্জৰী গুমৰী থকা সমাজৰ কুটশীল ভাবক নেওচি প্ৰকৃত দেশৰ ৰূপ দিওঁতা হে[illegible] অসমী আইৰ সন্তান সন্ততীৰ হাতত—এই মোৰ প্ৰণয়ৰ প্ৰদীপ খনি অৰ্পণ কৰিলো।

নিৰ্ম্মল—

THE NABIN BARDOLAI HALL & LIBRARY
13 SEP 1959

আন্ধাৰৰ প্ৰদীপ

সেই দিনা শিৱৰাত্ৰী ; অন্ধকাৰ পৃথিবী, বুকুত শিৱসাগৰৰ পাৰৰ শিৱদ'ল। আন্ধাৰৰ বুকুত দোকান পোহাৰ বোৰৰ লেম্পবোৰে অমাৱস্যাৰ আন্ধাৰ ঠেলি পোহৰ আনি দিয়ে ৰংপুৰ নগৰৰ ৰাজ বাটলৈ ; বিভিন্ন দেশৰ সাধু-সন্ন্যাসী আৰু তীৰ্থযাত্ৰীৰে ভৰি পৰিছে নগৰখনি ; শিৱদ'লৰ প্ৰাঙ্গনত হৰি কীৰ্ত্তনৰ ৰোল, নামৰ চেঁৱে চেঁৱে নাম প্ৰেমি সকলে হৰিনামৰ-ৰসত নাচিবলৈ ধৰিছে। এই আনন্দ উল্লাসৰ মাজত সিহঁতৰ বুকু কঁপি উঠিছিল। সেই আন্ধাৰ আৰু পোহৰ মানুহৰ বিৰদি বাট নোপোৱা সমাগমৰ মাজত তাহাঁতৰ চকুৰ কোণেদি ওলোৱা চাৱনি, তাত যেন আছে লৰালিৰ পৰা খেলি অহা মৰমবোৰ। আজি বহুত দিনৰ মূৰত এই সুযোগ আহিছে। তাইৰ চকুত জিলিকি উঠে যৌৱনৰ তৃষ্ণাভৰা ব্যথা ; বুকুত শত শত বেদনাৰ ঢৌ। আঁউসীৰ আন্ধাৰ ঠেলি শুভ্ৰ জোনাকৰ পোহৰ দিছে। তাইৰ সেই হেৰোৱা সপোন বিলাকেই বাস্তৱ জীৱনৰ এটি আনন্দ : তাই আজি গহীন অথচ চঞ্চলা।

গ্ৰামোফোনৰ ৰেকৰ্ডত গীত বাজিব ধৰে ; এটি গীতে তাহাঁতৰ চকুৱে-মুখে আনন্দৰ হেন্দোলনি তুলি বাগৰি গল। অজানিতে দুয়োখনি হাত আগবাঢ়ি গ'ল ! দুয়োৰো হাত বান্ধ খালে। দুয়ো অন্তৰেৰে কলে, আমাৰ এই মিলন আৰু এই হাতৰ আৰু হিয়াৰ বান্ধন চিৰকলীয়াহৈ

থাকিব। এইদৰে সিহঁতৰ ভিতৰত বহুদিনৰে পৰা সাঁচি থোৱা কথাবোৰ সুবিধাবুজি কৈ যায়। এইদৰে শিৱৰাত্ৰীৰ বৈচিত্ৰপূৰ্ণ ৰাতিটোৰ এভাগ পাৰ হৈ যায়। সিহঁতে আশ্ৰয় লোৱা মানুহ ঘৰলৈ লাহে লাহে আগবাঢ়িল। একেখনি বিছনা। চকুৰ আগত খেলি থকা সিহঁতৰ ভাবৰ ঢৌবোৰে লাহে লাহে নিদ্ৰাদেৱীৰ কোলাত আশ্ৰয় ললে।

ৰাতি নৌ পুৱাঁতেই অলপ ওচৰত থকা মচ্‌জিদটোৰ পৰা আহিল এটা আজান ; আজানত অজানিতে সিহঁতৰ সপোনবোৰ ভাঙি আনি দিলে শিহৰণ। অলপ পিচতেই চৰাই-চিৰিকটীৰ বিভুৰ বন্দনা-গীত ; কাউৰীয়েও কা কা কৰিলে। চকু মুখ মোহাৰি বিচনাৰ পৰা উঠিল। স্নান আদি কৰি সাজ-পাৰ পিন্ধি ওলাল তাই, বাইদেৱেক আৰু সি। তাই 'গুল'পীয়া ব্লাউজ, পাতল আগত দৰিদীয়া চাদৰখনি আৰু পলাশবৰীয়া মেখেলা, ডিঙিত পিন্ধা নেকলেছ দালি, হাতৰ বালাজোৰী আৰু সেই কপালত সেন্দুৰৰ ফোঁটটিয়ে তাইৰ সেই শুকুলা গোল মুখখনি ৰঙচুৱা গালৰ ওপৰত জিলিকা তিলটীয়ে পুৱাৰ সুৰুজৰ বোল পৰি নতুন ভানু উদয় হৈ পৰিছিল। তাইৰ কাষেদি তাই মনে সজা দেৱতা আগবাঢ়িল, শিৱদলত সেৱা কৰিবৰ কাৰণে। সক এখনি দোকানৰ পৰা তিনিও ললে তিনি গছি বন্তি ; সিহঁতৰ এই আগমন যেন চাই আছে প্ৰকৃতিৰ গছ-গছনিয়ে, চাই আছে শিৱদ'লৰ কলচীটোৱে ; চাই আছে জটাধাৰী সন্যাসী সকলে। মন্দিৰৰ ভিতৰত আৰতি, গীত, শঙ্খ, ডবা, কাহঁ বাজি উঠিছে। বেদমন্ত্ৰ, পুষ্পাঞ্জলিয়ে মন্দিৰৰ ভিতৰ মুখৰিত কৰি পেলাইছে। শিৱ মূৰ্তিক সেৱা কৰি বন্তি

জলাই দিলে। ব্ৰহ্মাণে আশীৰ্বাদ দিলে ; সিহঁত দুয়ো সেৱা কৰিলে। সকলোৰে চকুৰ আগত সিহঁত দুটি যেন পৃথিবীৰ মূৰ্ত্তি। ভগবানে অতি কষ্টৰে বোৱা দুপাহি ফুল ; শান্তি-জল মুখতলৈ সিহঁতে কলে আমাৰ এই প্ৰিয় মূৰ্ত্তিৰ শান্তি জলে আমাক যোগাব যেন দৰিদ্ৰ মনৰ সেৱা কৰা শক্তি, আমাৰ মিলনত উপস্থিত হোৱা শত শত বাধা-বিঘিনি অতিক্ৰম কৰা শক্তি, আৰু দি যাব এটা নতুন আদৰ্শ। যি আদৰ্শত ভাল-পোৱা স্মৃতিৰ এক নতুন যুগৰ সূচনা কৰি জগতৰ প্ৰত্যেকে ভাল-পোৱাৰ বান্ধোনত মেৰ খাই এখনি শান্তিৰাজ্য প্ৰতিস্থা কৰিব। এয়ে হ'ল আমাৰ প্ৰতিজ্ঞা। নিৰ্ম্মল জোনাকক এছাটী ক'লা ডাৱৰে আৱৰি ধৰাৰ দৰে তাৰ মুখখন ক'লা পৰিল। কিন্তু তাই বুজি নাপালে ; তাইবো অন্তৰত উদ্বিগ্নতাই দেখা দিলে। তাই কিন্তু তাৰ মনত আনন্দ দিবলৈ যত্ন কৰিছিল। তাই হঠাতেই কৈ উঠিল—দাদা, আপোনাৰ মনটো মৰা দেখিছো কিয় ?

'ক'তা মোৰ মন দেখোন মৰা নহয়।' সি এটা হাঁহি মাৰি কয়।

'নহয় আপোনাৰ মন মৰা ; নিশ্চয় ইয়াৰ কাৰণ আছে। মোক আপুনি ফাঁকি দিছে।'

'মই তোমাক ফাঁকি দিম কিয় তৰু ?'

'আজি কালি যুগৰ মানুহবোৰ দেখিছো হঠাতেই গহীন হৈ যায়। বোধকঁৰো আপুনিও কিবা এটা গহীন চিন্তাতেই পৰিছে।'

বাইদেৱকৰ অজানিতে সি ইঙ্গিতেৰে তৰুক সেইবোৰ কথা বাদ দিবলৈ কয়।

বাইদেৱেক তৰুৰ বাইয়েক। ৰংপুৰ নগৰত থাকে। বাইদেৱেকে তেওঁলোকৰ কথাত মন দিয়া নাই। বহুতো কথাৰ মাজেদি তেওঁলোক ঘৰ পালেগৈ। সি তাতে ভাত পানী খাই নিজৰ ঘৰলৈ গ'ল। তাৰ ঘৰ হৈছে ভোগদৈৰ পাৰৰ পদুমনী গাঁৱত। দুয়ো একেখন গাঁৱৰ; মাত্র ইমূৰ আৰু সিমূৰ।

সমাজৰ অতি ঘৃণণীয় আৰু দুৰ্ব্বল কথাবোৰেৰে মাকক এটা নতুন ভাবৰ গঢ় দিলে, কিছুমান দুৰ্ব্বলমনা মানুহে। তাৰ বাবেই তাই পালে মাকৰ কঠোৰ বাক্য; সিও পালে এষাৰ কঠুৱা মাত। তাইৰ বুকু ভাগি গল, তাই কান্দি·পেলালে; তাইক বুজনি দিবলৈ কোনো নাই। মাক হৈছে সৰল অন্তৰৰ এগৰাকী দুখীয়া বিধবা। সেই কাৰণে এই সুবিধাবাদী মানুহে মাকক নানান কথাবাৰ্ত্তা কবলৈ সুযোগ পায়। সিও বুজাই কেনেকৈ? তাৰ মনত খেলালে সাঁত সাগৰৰ ঢৌ আৰু মনলৈ আহিল শিৱদ'লৰ ভিতৰৰ পৰা ওলাই আহি চিন্তা কৰা কথা বোৰলৈ। এই দৰে বহু সময়ৰ পিচত মাকৰ কোমল অন্তৰ গলি গ'ল। তাইক শান্ত্বনা দি মাকৰ মুখত ফুটি উঠিলে এটি হাঁহি, যিটো হাঁহিত মাতৃত্বৰ অপত্য চেনেহৰ পৰশ পাই তাই হেৰুওৱা বসন্তবো ভুল ভাগি গ'ল। সিও দুটামান খাইবৈ তাৰ জৰাজীৰ্ণ অকলশৰীয়া ঘৰটিলৈ গলগৈ। দিনৰ পিছত ৰাতি আৰু ৰাতিৰ পিচত দিন পাৰ হৈ আছে। বাধা কৰে কোনে?

*   *   *   *   *

মৰমবোৰ বোকোছাত বান্ধি সি গৌৰৱ কৰে। তাৰ অন্তৰ ফুলি উঠে। কেতিয়াবা তাৰ লৰালিৰ কালৰ সুখ-দুখবোৰলৈ মনত

পৰি তাৰ বুকু কঁপি যায়; অজানিতে ভাল-পোৱা তৰুলৈ মনত পৰি তাৰ ভগা জুপুৰিটোৰ সৰু খিৰিকি খনি মেলি আকাশৰ তৰা ফুল বোৰ চাই সি মনতে ভাবে, যেন তৰুৰ কেচা-সোণ বৰণীয়া দেহাটিও সৰগৰ তৰা ফুল বাছি মৰতত সুৰগা চৰাব। তাৰ যেন অকলশৰীয়া পঁজাৰ গৃহ লক্ষ্মী হৈ জীৱনৰ হেৰুৱা বীণাত ৰগৰ তুলিব। আশা আৰু নিৰাশা, মৰম আৰু নিষ্ঠুৰতা এই কেউটিৰ মাজত তাৰ জীৱনৰ জয় ডঙ্কা বজাব লাগিব। সি ভাবে তৰুক ভাল পাবলৈ গৈ ভুল কৰিছেনেকি? নাই, তাই তাৰ জীৱনটো খুকুৰা কৰিবলৈহে ভাল পোৱাৰ হেঙেৰা দিছে। আকৌ কেতিয়াবা তাৰ মনলৈ আহে—নহয়, বিশ্বাসঘাটকতা কৰি জীয়াই থাকিব পাৰে জানো মানুহ। বিশ্বাসঘাটকৰ জীৱনত সুখ আহিব পাৰে জানো! সি ভাবে তাৰ দায়িত্ব মহান; এই হেন গধূৰ দায়িত্বত তাৰ সৰু জীৱনটোৱে ভাবৈ মানুহৰ মানদণ্ড উচ্চতৰ কৰি সৰ্ব্বহাৰাৰ প্ৰাণত বিপ্লৱৰ ঢৌ ঢৌৱাইছে আৰু আন হাতেদি তৰুৰ জীৱনত নতুন সাচঁ বহুৱাই দুখভৰা পৃথিবীৰ খলা-বমা বুকুত খোজ কঢ়াব লাগিব। সি কিছু দিনৰ কাৰণে গুৱাহাটীলৈ যাব লাগিব। সেই কাৰণে সি ভাবি চিন্তি চাই এখনি চিঠি লিখিবলৈ বহিল। ৰাতি দুপৰ হল তাৰ চকুত নিদ্ৰা দেৱীয়ে আশ্ৰয় ললে।

তৰুহঁতৰ ঘৰৰ আগেদি বৈ যোৱা নৈখনৰ একা বেকাহৈ পানীবোৰ বাগৰি আহিছে। নৈখনিয়ে গপত ওফন্দি তাৰ বুকুত লৈ আহিছে ক'ত শত প্ৰেমিকৰ আশাৰ সফুৰা, ক'ত শত পাহাৰৰ জাঁজৰি।' আজি যেন নৈখনি বৰ কোবাল; গিৰিং কৰি ইপাৰ

সিপাৰৰ গৰা বোৰ খহায় নিছে। ক'ত মানুহৰ আশাৰ বালি দল ভাগি চুৰমাৰ কৰি পেলাইছে। ক'তৰ ঘৰ নৈৰ বুকুত জাহ যাব লাগিছে। তাৰ বাবে চিন্তা কৰে কোনে? তাৰ বাবে কান্দে কোনে? তাৰ বাবে সেই দৰিদ্ৰ নিঃকিন মানুহবোৰক এবাৰি সহানুভূতিশীল মাতেৰে মাতে কোনে? চৰকাৰ, ৰাইজ সকলো বোৰ নিমাত। তৰুৱে হাতত ডাঙৰ বাল্টি দুটালৈ চাই থাকে এই প্ৰকৃতিৰ খেলাবোৰ। চাই থাকে নীল মেঘত অহা যোৱা কৰা মেঘবোৰ। ঘাটত বৈ থাকোঁতেই পিয়নে আনি দিলে চিঠিখনি। তাই লৰালৰি কৰি পানী ভৰায় লৈ ঘৰত থৈ চিঠিখনি তাইৰ সেই আটমল টোকাৰি কৈ সজায় থোৱা কোঠালিটোত বহি পঢ়িবলৈ ধৰিলে। তেতিয়া সময় ৪টা মাথো।

মৰমৰ তৰু;

পৃথিবীৰ এই জটিল সমস্যাত মোৰ দৰে এটা ঘৃনণীয় অৱহেলিত অপদাৰ্থ দৰিদ্ৰ ভিক্ষাৰীয়ে যোগাৱলৈ বিচাৰে এক নিখুত নিৰ্মল ৰৰগুণি। এই ৰৰগুনি যোগাবলৈ, চিন্তাশীল ব্যক্তিৰ আৱশ্যক আৰু বৰ্ত্তমান উঠি অহা যুৱক যুৱতীবো কৰ্ত্তব্য। কিন্তু তেওঁলোকক শিক্ষাৰ প্ৰথম যোগান নধৰিলে আমি কল্পনা কৰা সমাজখন নাপাব পাৰো। এনে শিক্ষাৰ আৱশ্যক, যিটো শিক্ষাৰ মাজেদি প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ আদৰ্শ ফুটি উঠে আৰু এনে শিক্ষক শিক্ষয়িত্ৰীৰ আৱশ্যক যাতে তেওঁলোকে ছাত্ৰ-ছাত্ৰী সকলক মনোবিজ্ঞানৰ পৰা অধ্যয়ন কৰি তেনে দৰে শিক্ষা দিবলৈ লয়। সেই শিক্ষ তুমি লব লাগিব; যাতে তুমি এনে শিক্ষা লৈ তোমাৰ শিক্ষা

দ্বাৰা দহৰ উপকাৰ আৰু নিজৰ ঘৰুৱা সংসাৰ চলাবলৈ এটি পথ পোৱা। বৰ্ত্তমান স্ত্ৰী জাতিৰ কৰ্ত্তব্য হৈছে সন্তান সকলক প্ৰকৃত নাগৰিক কৰি তেওঁলোকৰ স্বভাৱ—চৰিত্ৰ আৰু লক্ষণৰ ওপৰত চকু ৰাখি তেওঁলোকক এই জৰাজীৰ্ণ দেশখনক গঢ় দিবলৈ শিক্ষা দিয়া; তাৰ লগে লগে তেওঁলোকক নৈতিক শিক্ষাও দিব লাগিব। যি দেশৰ লৰা ছোৱালীৰ বা মানুহৰ নৈতিক শিক্ষাৰ অধঃপতন হয়, সেই দেশৰ মানুহে স্বাধীন দেশৰ মানুহ বুলি চিনাকি দিব নোৱাৰে। আমাৰ সকলোৰে কৰ্ত্তব্য আমি সকলোৱে এই চিন্তা কৰিব লাগিব। আমাৰ উঠি অহা লৰা ছোৱালী বিলাকে যাতে দেশৰ বিভিন্ন উন্নয়ণ মূলক কামৰ বাবে নিজে চিন্তা কৰি নতুন ধৰণৰ উদ্যোগ প্ৰতিস্থাৰ গবেষণা গ্ৰহণ কৰিব পাৰে। বুজিছা তৰু, তুমি অকল লিখা পঢ়া কৰি ডিগ্ৰী লাভ কৰিলেই তোমাক শিক্ষিত বুলিব নোৱাৰি; সকলো পৰিকল্পনাৰ বাবে চিন্তা কৰি কাম কৰাকেহে শিক্ষিত বুলিব পাৰি। এই দুখ লগা সমাজ ব্যৱস্থা যদি বৰ্ত্তমান উন্নত নহয়, তেন্তে এই কৃষক মজদুৰ সক'ল আৰু দুৰৱস্থাৰ গহবৰত প্ৰৱেশ কৰিব। তেতিয়া এটা শোষণকাৰী শ্ৰেণীয়ে শোষণৰ নেতৃত্ব লৈ দেশৰ মানদণ্ড ওলট পালট কৰি থাকিব। সেই বাবে তুমিও এদিন কান্দিব লাগিব, মেয়া এদিন কান্দিম আৰু তোমাৰ মোৰ দৰে কোটি কোটি মানুহে কান্দিব।

তৰু; তোমাৰ এই নিখুত চৰিত্ৰৰ বাবে মই সচাঁকৈয়ে গৌৰৱ কৰো। মই এইটো জানো, তোমাৰ আৰ্থিক অৱস্থাই তোমাক আৰু তোমাৰ ঘৰৰ সকলোটিকে কিছুমান ক্ষেত্ৰত হেঙাৰ দিছে।

কিন্তু ইয়াৰ মাজেদি মানুহে আগ বাঢ়ি যাব পৰাটোহে মানুহৰ কৰ্ত্তব্য। সুখ-দুখৰ নদী-ঘাট পাৰহৈ আহি যি মানুহে প্ৰকৃত পথ বাছি লব জানে; অট্টালিকাৰ বতাহত ফুৰা মানুহে সেই শ্ৰেণীৰ মানুহৰ কাৰণে একো মোল নুবুজে। মোৰ জীৱনক ভাল পাবলৈ তুমি হয়টো চিন্তা কৰিছা আৰু নিশ্চয় তোমাৰ অন্তৰত প্ৰশ্নও কৰিছা। মোৰ অন্তৰকো মই সুধিছো, প্ৰশ্ন ও চিন্তা কৰিছো, সমাজ ব্যৱস্থা শৃঙ্খলা ভাবেৰে চোৱা; দাৰিদ্ৰ শেটেলিত দুবৰিৰ দলিচাত তোমাৰ মোৰ অৰ্ধশায়ী—জীৱনটো অতিবাহিত কৰিব লাগিব। তাৰ বাবে হয়তো তুমি সাজু নহব পাৰা; হয়টো তোমাৰ সুকোমল লাৱন্যময় দেহাটিয়ে দুখ পাব পাৰে; কিন্তু এইটোও জানো, পৃথিবীৰ ভিতৰত দুখীয়াৰ মৰম চেনেহবোৰ একোখনি তীৰ্থস্থান। এই তীৰ্থ স্থানত তুমি মই দুয়োৰো ভাল পোৱাৰ স্মৃতিৰ স্বৰূপে ছাহজাহানৰ দৰে জিলিকাম মমতাজৰ তাজমহল; যাতে তোমাৰ মোৰ জীৱনৰ শেষ সন্ধিয়াটো প্ৰেমৰ প্ৰদীপ জলি থাকে। সন্ধিয়াৰ সিপাৰৰ দেশখনটো তোমালৈ সাজি যাম বিৰিনা-খাগৰি ইকৰাৰ পজাঁ, তাত দি যাম দুবৰিৰ দলিচা; বেৰত আঁৰি যাম ফটা চিৰা বস্তুবোৰ আৰু আঁৰি যাম টুকুৰা টুকুৰা তুলাপাত; বহিবৰ কাৰণে ৰাখিম ভুখৰি পিৰা, খাবৰ কাৰণে ৰাখিম প্ৰেমৰ সৰগি অমিয়া।

তুমি নিশ্চয় পঢ়ি বেয়া পাবা আৰু হাঁহিবাও। কিয়নো তুমি হৈছা বৰ্ত্তমান যুগৰ অভিযাত্ৰী। ৰূপত বিভোলহৈ ফুৰা চঞ্চলা ছোৱালী। বিদ্ৰুপ, ঠাট্টা, মান, অপমান মোৰ মানত জীৱনৰ সম্ভাৰ।

তৰু, মই যেন এটা ভুল কৰিছো যিটো ভুলৰ সংশোধন বিচাৰি

হাবুডুবু খাই ঘুৰি ফুৰিছো। কতা দেখোন পোৱা নাই; এই ভুল সংশোধান কৰিব পাৰা কেৱল তুমি। তোমাৰ বাহিৰে পৃথিবীৰ কোনোৱে নোৱাৰে। তুমি হয়টো মোক পাহৰিব পাৰা; অথচ মোৰ বুকুৰ কপনি তোমাৰ কাৰণেই থাকিব। মই গুৱাহাটীলৈ কিছুদিনৰ বাবে কালিলৈ যাম, তুমি হয়টো চিন্তা কৰিব ও পাৰা; হয়টো নকৰিবও পাৰা। মোৰ কৰ্ত্তব্য; মই তোমাক জনোৱাটো। আজিলৈ বিদায়।

ইতি—

তোমাৰেই দাদাৰ

—বসন্ত—

চিঠিখনি পঢ়ি তাইৰ বুকু কঁপি উঠিল; মুখ খন ৰঙা পৰি গ'ল। তাইৰ দুখভৰা পথত পালে এটি সৰল সুন্দৰ পথৰ সন্ধান। বুকুলৈ আহিল শত সহস্ৰ বল। আঁউসীৰ আন্ধাৰত পালে পূৰ্ণিমাৰ চন্দ্ৰ পোহৰৰ ৰেঙনি, চকুৰ পাহি, ওঁঠ কঁপি উঠিল। বসন্তৰ প্ৰতি তাইৰ মূৰ দোঁ খাই গল। কিন্তু আজি তাইৰ অন্তৰত উমি উমি উঠা জুই কুৰা নুমুৱাবলৈ বিচাৰি হাবু-ডুবু খাইছে, বসন্তক যেন তাই এতিয়াই মাতি আনি খোলাখোলি ভাবে কৈ দিব যে মোৰ ব্যক্তিত্ব আপোনাৰ ওচৰত একো নাই; আপোনাৰ আদৰ্শ ময়ো সমৰ্থন কৰো। এনেবোৰ খেলি মেলি ভাব তাই চিন্তা কৰি থাকে; তাইৰ টেবুলৰ ওপৰত মূৰটো থৈ ভাবি-ভাবি টোপনি গ'ল; সপোনত আহি তাইক সাৱটি ধৰিলে। এনে সময়তে তৰুৰ মাক আহি মাত লগালে; তৰু; তোৰ কিবা অসুখ হৈছেনেকি? তই দেখোন এই সন্ধিয়াৰ

পৰত টেবুলত মুৰ ঘুমাইছ। লেম্প, চাকি জ্বলাব লাগে নহয়; উঠ প্ৰাৰ্থনা কৰাৰো সময় হল।” তৰুৰ সপোন ভাগি গ'ল, তাই ল'ৰালৰি কৈ উঠি চিঠিখনি বুকুত ভৰাই উত্তৰ দিলে।

“মঁা মোৰ একো হোৱা নাই; মাত্ৰ মুৰটোহে যেন কামুৰিছে।”

“সদায় ৰ'দত স্কুললৈ যাব নহয়; সেই কাৰণেই মুৰ কামুৰিছে।

মই কওঁ নহয় ছাতি লৈ যাবি বুলি; মোৰ কথা নামান। মোৰ তহতৰ পৰা আৰু সুখ নাইকীয়া হৈছে, আজিৰ ইটোৰ, কালি সিটোৰ, এইদৰে সদায় থাকিবই। হেৰৌ, বসন্ত দেখোন আজি কেইবা দিনো অহা নাই ক'ৰবালৈ গৈছেনেকি?”

“কোৱা শুনিছো বোলে গুৱাহাটীলৈ গৈছে; এমাহৰ কাৰণে।”

“আও যোৱাৰ আগতে আমাৰ ফাললৈ এবাৰ নাহিল দেখোন।”

“এবা নাহিল আৰু মঁা।”

তৰুৱে চাকি লেম্প জ্বলাই প্ৰাৰ্থনা কৰিবলৈ শ্ৰীকৃষ্ণৰ মুৰ্ত্তি এখনৰ ওচৰত ধূপ আৰু এগছি মিঠা তেলৰ চাকি জ্বলাই বহিল গৈ। তাইৰ ওচৰতে বহিল ভনীয়েক মনু আৰু ৰুনু। বসন্তই শিকাই দিয়া প্ৰাৰ্থনা শ্লোক ফাকি গায়। অকণমানি ভনীয়েক ৰুনুৱে তাইৰ প্ৰাৰ্থনা কৰাত অসুবিধা কৰি দিয়ে। তৰুৱে আমনি নকৰিবলৈ স্কুলৰ পৰা আহোঁতে লজেঞ্চ আনি দিম দেই, তই খোব খাবি। মনু হঁতক দিব নালাগে আদি কয়, তাই হাঁহে।

“অ' মোলৈও আজি ফুল চোলা এটা আনিবি দেই”।

“ওঁ; আনি দিম তই এতিয়া ইয়াত মনে মনে বহি আমাৰ লগতে প্ৰাৰ্থনা ক'ৰ।”

"তইঁতি আকৌ গা।"

তৰুৱে পুনৰ গায় "তুমি-চিত্ত-বৃত্তি মোৰ প্ৰৱৰ্ত্তক নাৰায়ণ তুমি নাথ মই নাথৱন্ত"। ইত্যাদি

তাইয়ো লগতে থুনুক থানাক মাতেৰে গায়। এইদৰে প্ৰাৰ্থনা গাই সমাপ্ত কৰে। তাইৰ প্ৰাৰ্থনা শেষত ভগবানৰ প্ৰতি কয়—হে ঈশ্বৰ তুমি মোৰ মনৰ কামনা পূৰ্ণ কৰা; বসন্তক যেন মঙ্গলে ৰাখি তেওঁৰ উন্নতি পথ সুগম কৰা। প্ৰাৰ্থনা কৰি তাই পঢ়াৰ কোঠাত সোমাই পঢ়িবলৈ ধৰিলে। পঢ়ি থাকোতেও যেন তাই কাৰোবাৰ বলত বলীয়ান হৈ পঢ়ি গৈছে। তাই ডাঙৰ ডাঙৰ কৈ চিঞৰি মাতে। তাই আজি পঢ়িবলৈ ভাল পাইছে। বসন্তই শিক্ষা সম্বন্ধে লিখা চিঠি কথা কেইটাই তাইক শিক্ষাত আগুৱাই যাবলৈ সাহ যোগালে।

ক'ত ঘাট-প্ৰতিঘাটৰ মাজেদি বাগৰি অহা তৰুৰ মাকৰ মৰম-চেনেহবোৰো যেন অন্য মানুহতকৈ বেলেগ। এই মৰম চেনেহত আছে গাম্ভীৰ্য্য; অথচ সৰল। অন্তৰৰ মাজত বেদনাবোৰো তৰুৰ মাকৰ সদায় জ্বলি থাকে। কৰিব কি? উপায়েই বা কি? ভগৱন্তৰ ওপৰত মানুহৰ অধিকাৰ কি বা আছে। এদিন তৰুৰ মাকে ভাবিছিল দেউতাকৰ অতি আদৰৰ ছোৱালী; তৰু নামটো যেনে তাইৰ ৰূপটোও তেনে। দেউতাক থাকোতে মোৰ চিন্তাৰ কোনো কাৰণ নাছিল। দেউতাক আৰু মাকে কতই কথা তৰুৰ বিষয়ে কল্পনা কৰিছিল; তাৰ সীমা নাই। কিন্তু কল্পনা কল্পনাতেই মৰহি গ'ল। তৰু আৰু আৰু, ভায়েক মনু, কনু আদিক দলনিত পোনামেলি দেউতাক কৰবালৈ গুচি গল। আজি তৰু মাউৰা; মাক বিধবা। মাকে ভাবে তৰুৰ জীৱনটো

কাৰ হাতত গতাই মোৰ উঠি অহা পোনাটোক শিক্ষিত কৰি মানুহৰ সমাজত মানুহ বুলি চিনাকি দিব পৰা কৰো। দেউতাকে ভাবিছিল মই তৰুক মৰমৰে ওপচি আৰু দয়াৰে চহকী হৈ থকা হাতেৰে দান দিম। ৰাজ-অট্টালিকাৰ আমোলাপতি মানুহলৈ মই নিদিওঁ। কিয়নো সিহঁতৰ প্ৰকৃত মৰমবোৰ গোটখায়। সিহঁত হব পাৰে যদি চহকী। এই মোৰ মৰমৰ তৰুৰ জীৱনৰ জয়গান। তাতেই পাব সিহঁতে শান্তি; তাতেই হব তাহাঁতৰ তীৰ্থস্থান; তাতেই ভগবানে দিব আশীৰ্ব্বাদ! সেই হব মোৰ নিৰ্ম্মালি। কিন্তু এই আশা হৈ নুঠিল; এদিন তৰু হঁতক আৰু কতক আমনি দি কন্দুৱাই ক'ৰবালৈ গ'ল। আজি সেই আলসুৱা তৰুৰ দায়িত্ব মাকৰ ওপৰত পৰিছে। মাকে লব লাগিব আজি ক'ত মানুহৰ অৱাঞ্চনীয় কথা; ক'তৰ প্ৰবঞ্চনা আৰু তাতেই বাছি লব লাগিব নিজৰ পথ। দিনক দিনে তৰুৰ যৌৱনৰ সৌন্দৰ্য্যও ফুটি উঠিল। তৰুৰ মাকৰ চিন্তাও বৰ গহীন হৈ আহিল। আনহাতে তাই পঢ়ে আৰু তাইৰ এজনী ভনীয়েকেও পঢ়ি আছে। অন্যায় সমাজ ব্যৱস্থাই মাকক বৰ বিবুদ্ধি কৰি পেলাইছে।

* * * *

বসন্তৰ চুমা পাই গছ-গছনিবোৰে সেউজীয়া বোল ধৰি ন ছোৱালীৰ দৰে দীঘল ওৰণি লৈ যেন শাহু-শহুৰেকৰ আল-পৈছান ধৰিছে; যেন সেউজীয়া পথাৰত ধান দাবলৈহে সাজ-পাৰ পিন্ধিছে। ব্ৰহ্মপুত্ৰৰ বুকুত জাঁজৰি লৈ বৰ নৈয়ে গঙ্গা-টোপৰ দৰে উথহি আহিছে, তপত বুকুৰ বালিচৰ বিচাৰি। বসন্ত গুৱাহাটীত আশ্ৰয় লোৱা ঘৰৰ পৰা

ফুৰিবলৈ গ'ল। পকাঘাটৰ পকা পুলটোত বহি আবেলিৰ পশ্চিমত মাৰ যোৱা বেলিৰ ৰেঙনি আৰু দূৰৰ পৰ্ব্বত শাৰী চাই আমন-জিমন কৰি বহি আছে। বৰনৈৰ বুকুত উমানন্দ মন্দিৰটোৰ যেন বৰনৈয়ে ভৰি ধুৱাই হে গৈছে? সিপাৰে উত্তৰ গুৱাহাটীৰ গাৱঁখনি দেখিবলৈ বৰ ধুনীয়া হৈ পৰিছে। এই প্ৰকৃতিৰ দৃশ্য পটবোৰ চাই বসন্তই ভাবে তাৰ গাৱঁৰ সেই তৰুলৈ। আজি তৰু তাৰ কাষত থকা হলে কিমান যে প্ৰকৃতিৰ মোহনীয়া বেশটিৰ কথা দুয়ো খোলা-খুলি ভাবে পাতিলেহেঁতেন। সি ভাবি ভাবি হুমুনিয়াহ কাঢ়ি বহি আছে। সন্ধিয়া নামো নামো অৱস্থা। (যাত্ৰীঅহাযোৱা) বৰনৈৰ কাষেদি যোৱা আলেবাটেদি কত বয়োবৃদ্ধ, যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰী অহা-যোৱা কৰিছে সীমা নাই, কতৰ প্ৰাণৰ ভাল-বেয়া মৰমবোৰ বৰনৈৰ পাৰতে এৰি দিছে।

"আপুনি সিপাৰলৈ যাবনেকি?"

বসন্তই উচপ খাই উঠিল; যেন তাৰ তৰুৰ জীৱন জেউতিৰ উপভোগত বাধা জন্মাই দিলে; সি উত্তৰ দিলে—মই সিপাৰলৈ নাযাওঁ। কেলৈ সুধিলে?

"আপুনি সিপাৰলৈ চাই বহি আছে। সেই কাৰণে সুধিলো। তাতে আকৌ আমি সিপাৰলৈ যাব লাগে। নাও পামনে নাপাওঁ?"

"আপোনালোকৰ ঘৰ সিপাৰত নেকি?"

"হয় আমাৰ ঘৰ উত্তৰ গুৱাহাটীত।"

"সময় যে বহুত হল, আপোনালোকৰ লগত আৰু মতা মানুহ নাইনেকি?"

"নাই আমি সদায় স্কুললৈ আহোঁ। অহা যোৱা মটৰ লাঞ্চতেহে কৰোঁ। আজি আমি বজাৰ কৰাৰ কাৰণেহে দেৰি হল।"

"নাওঁ নাপালে আপোনালোকৰ অসুবিধা নহব জানো!"

"নাওঁ পাম সিপাৰত মানুহ বহুতো আছে।"

"আপোনাৰ ঘৰ কোনখিনিত জানিব পাৰোনে ?"

"নিশ্চয় পাৰে, বাধা নাই।" কওঁ তেনে কোন ঠাইত। মোৰ ঘৰ যোৰহাটত ; এখনি সৰু গাঁৱত মোৰ জন্ম।"

"আপোনাৰ কথাবোৰত ওপৰ অসমৰ যেন লাগে।"

"নিশ্চয়……….।"

"আপুনি বোধ হয় ইয়াত কিবা কৰে।'

'হয় মই চৰকাৰৰ এটি সামান্য চাকৰি কৰিছো।"

"আপুনি বোধ হয় ইয়াত অকলেই আছে ?

"হয় মই অকলেই আছোঁ।"

"মই এটি অনুৰোধ কৰিব পাৰোনে ?"

"নিশ্চয় পাৰে।"

"ৰবিবাৰে যদি কোনো আপত্তি নাথাকে আমাৰ ঘৰৰ ফালে যাবচোন।"

"মোৰ কোনো আপত্তি নাই। চিনা জনা হোৱাটো বৰ্ত্তমান যুগৰ মানুহৰ কৰ্ত্তব্য। মই ইয়ালৈ অহা প্ৰায় এমাহ হল। আজি লৈকে আপোনাৰ দৰে কোনোৱে মতা নাই। আপুনি মতাত মই বৰ আনন্দ পাইছো। নিশ্চয় মই আপোনাৰ অনুৰোধ ৰক্ষা কৰিবলৈ যত্ন কৰিম। কিন্তু আপোনালোকৰ যে নাম নাজানো!

"অ আমাৰ নাম হৈছে—মোৰ নাম মিনালী চৌধুৰী ; এওঁৰ নাম দ্বপালী দাস।"

কথাপাতি থাকোতেই এখন সিপাৰলৈ যোৱা নাওঁ উজাই আহি ঘাট পালে। মিনালীয়ে এটি নমস্কাৰ কৰি, লগতে এটি হাঁহি মাৰি বসন্তৰ পৰা বিদায়লৈ নাওত উঠিল। "ভাল আপুনি থাকক ; আমি যাওঁ। কিন্তু পাহৰি নাযাব।"

"ভাল মই নাপাহৰিবলৈ যত্ন কৰিম। কিন্তু আপোনালোকেও বাটে-পথে পালে মাতিব। হয়টো মই চিনি নাপাবও পাৰো।"

তেওঁলোকৰ নাও সিপাৰলৈ পাৰি দিলে। বসন্তই এই অচিনাকি ছোৱালী দুগৰাকীৰ কথা ভাবি ভাবি তেওঁলোক যোৱা ফালে চাই ৰল। তেওঁলোকৰ নাও খন বৰনৈৰ বুকুৰ ঢৌৰ মাজেৰে আগবাঢ়ি যোৱাৰ দৃশ্যপট, পশ্চিমত ডুব যোৱা বেলিটিৰ ৰাঙলী আভা ; পাহাৰ চেৰাই বৰনৈৰ বুকুতপৰি ৰাঙলী কৰি পেলাল। সি ভাবে তাৰ জীৱনৰ সেই ৰাঙলী সন্ধিয়া আহিব কেতিয়া! সি সেই সুৰুযৰ লগত সখী পাতি, মৰমী গালত ওঁঠৰ পৰশ দি, বৰনৈৰ বুকুত টুলুঙা নাৱঁত উঠিব কেতিয়া! সি চাই থাকে নাৱঁখানলৈ! নাও চাওঁতে চাওঁতেই চকুৰে নমনা হৈ গল। সিও অন্তৰত খেলি-মেলি ভাববোৰ লৈ নিজৰ জিৰণি ঘৰলৈ আগ বাঢ়িল।

বসন্ত থাকে 'জিৰণি মেছত।' সি গৈ তাৰ সৰু বিছনাখনিত বহি ভাবি থাকে। ভাবে সি মানুহৰ মৰমকোৰে গুটি ফুল বাছি মানুহৰ অন্তৰত ফুল বছা। আৰু সেই সি এৰিথৈ যোৱা তৰুজনীও তাৰ মানত সপোনসুৰীয়া ফুল। আজি বহুটো দিন হল ; তৰুৰ

কোনো খবৰ নাপাই তাৰ মনত কোনো শান্তি অহা নাই। সি তাৰ সৰু বিছনা খনিত বাগৰি-বাগৰি শান্তি বিচাৰি ফুৰে। কিন্তু নাই। তাৰ ওচৰত থকা এজন মাদ্ৰাজী এজেণ্টে তাৰ মনোভাব বোৰ লক্ষ্য কৰি সুধিলে।

"আপুনি ক'ৰ পৰা আহিছে।"

"মই যোৰহাটৰ পৰা আহিছো।"

"আপুনি ক'ৰ পৰা আহিছে।"

"মই মাদ্ৰাজৰ পৰা আহিছো।"

"আপোনাৰ ঘৰ ক'ত।"

"মোৰ ঘৰ যোৰহাটৰ ভোগদৈ নদীৰ কিনাৰত।"

"আপুনি কি কাম কৰিছে।"

"মই এটা সাধাৰণ কাম কৰিছো।"

"ঠিক হব, আমি দুয়ো দুয়োৰে লগৰীয়া হম।"

এজেণ্টজনে কলে "মই আপোনাৰ মনত অলপ অশান্তিৰ ছাঁ দেখিছো। আপোনাৰ নিশ্চয় কিবা হৈছে। কি হৈছে কওক চোন।"

"মোৰ একো হোৱা নাই; মাত্ৰ ইয়াত মোৰ অকলশৰীয়া কাৰণেই ভাল লগা নাই।"

"আজিৰ পৰা আপোনাৰ লগতে কথা-বাৰ্ত্তা পাতি ভাল পাম।"

এতিয়া আমি ভাত খাই লওঁ। সময় ৮ টা বাজিছে। ১ ঘণ্টা কথা পাতি ৯॥ টাত শুই থাকিম। বসন্তই দুলু আৰু তৰুলৈ দুখন চিঠি লিখি শুই থাকিল।

তৰুৱে স্কুললৈ যায়, পঢ়া-শুনাত খোব মন দিছে। কিন্তু তাই

আজি বহুতদিন বসন্তৰ কোনো খবৰ নাপাই হিয়াৰ মাজত উথল-মাথল ভাব বিলাক আহিছে। চিঠি দিবলৈও কোনো ঠিকনা দিয়া নাই। কেতিয়াবা কাম কৰি থাকোঁতে তাইৰ মনটো ক'লা পৰি যায় : হয়টো কৰিব লগীয়া কামটো নকৰি, নকৰিব লগীয়া কাম কৰে। এনেকুৱা বোৰ কথা দেখি তৰুৰ ভায়েক ডুলুৱে তাইক নানান ধৰণৰ কথাকৈ খং উঠাই তাইৰ খণ্ডতেই শুকুলামুখখনি ৰঙা পৰি যায়। তৰু আৰু ডুলুৰ মৰম-চেনেহবোৰ বৰ সুকিয়া। সি ভাল পায় বায়েকৰ কোনো কথাতেই বাধা দি খং উঠোৱা আৰু কেতিয়াবা বায়েকেও তাক জোকাই খং উঠাই ভাল পায়। তাতেই তাহাঁতৰ আনন্দ, তাতেই তাহাঁতৰ হেৰোৱা পৃথিবী খনি পায়। যেতিয়া তৰু আৰু ডুলুৰ খাম-খিয়ালি লাগিব, বিধৱা মাকে ভেলেঙিৰ দৰে চাই থাকে ও হাঁহে। এয়েই হৈছে সিহঁতৰ সংসাৰ। ইযাৰ মাজতেই ডুলুৱে কৈ উঠে— আজি বহুতো দিন বসন্ত দাদাৰ কোনো খবৰ পোৱা নাই। মানুহবোৰ দেখিছো চকুৰ আতৰ হৈ গলেই মনৰো আতৰ হয়। মাকে কয়—"এৰা তেওঁ খা-খবৰ নিদিয়ে। তহঁতেটো চিঠি এখন দিব পাৰ।"

"মা আমি দিবলৈও তেখেতৰ ঠিকনা নাপাওঁ।"

তৰুৱে এটা দীঘল হুমুনিয়াহ কাঢ়ে; ডুলুৱে চাই থাকে তাইৰ এই অৱস্থা।

মাকে কয়—"ডুলু আজি তই স্কুললৈ যাওঁতে ডাকঘৰত খবৰ লবিচোন।"

"ভাল বাৰু মা।"

সিহঁতে খাইবৈ স্কুললৈ গ'ল।

সিহঁতৰ লেজাৰপিৰিয়দত পিয়নে চিঠি এখন আনি দিলে। চিঠিখনৰ খামৰ ওপৰত জিলিকি আছিল শ্ৰীমান ডুলু বৰুৱা, ক্লাচ IX। ডুলুৱে আখৰ কেইটা চিনি পাই আনন্দৰে সৈতে জেপত ভৰাই থলে। সি ভাবিছিল ঘৰত গৈ খুব ভাল দৰে চাব ; মাক আৰু বায়েকক সি চিঠি নাই পোৱা বুলি ফাঁকি দিব। সিহঁতৰ ঘণ্টা পৰিল। তিনি পিৰিয়দৰ পিছত ছুটীৰ ঘণ্টা বাজিল। এটা হুলস্থুলৰ মাজেৰে ক্লাচৰ পৰা যাহিৰ হৈ ঘৰমুৰা হল। তাৰ আজি কত আনন্দ, সি লৰালৰিকৈ গৈ চিঠিখন পঢ়িব। তৰুৱেও ভায়েকৰ লগ ধৰিব নোৱাৰিলে। সি আগতেই লৰালৰি কৈ গুচি গল। ঘৰত ডুলুৱে জা-জলপান খাই সি চিঠিখন খুলি পঢ়িবলৈ ললে।

গুৱাহাটী

মৰমৰ ডুলু ;

তোমালোকৰ আজি বহুটো দিন চিঠি-পত্ৰ নাপায় মনটো বৰ ভাল লগা নাই। ডুলু! তুমি পঢ়াত মন দিবা, গাঁৱত এনেয়ে ঘুৰি ফুৰিবা। বৰ্ত্তমান যুগত শিক্ষা নহলে সময়ত বৰ কষ্ট পাব লাগিব। ডুলু ; যদিও তুমি সৰু ল'ৰা অথচ বুঢ়াৰ দৰেই কাম কৰি যাবা। বিধৱা মাঁৰাৰ অন্তৰত দুখ নিদিবা।' তেখেতক সদায় আনন্দ দিবলৈ যত্ন কৰিবা। সৰু ভায়েৰা ভনীয়েৰাৰ লগত খুব মৰমেৰে থাকিবলৈ যত্ন কৰিবা। বাইদেউৰাৰ লগত চুপতি কৰি পঢ়াৰ সময় নষ্ট নকৰিবা। গাঁৱৰ মানুহৰ লগত খুব মিলি-জুলি থাকিবা। সকলোতকৈ সৰু হলেহে তুমি বৰ্ত্তমান সময়ত সকলোৰে আদৰ পাবা। তোমালৈ

আজি বেচি নিলিখো। মোৰ মৰম লবা। তোমাৰ মাঁবাক মোৰ আদৰ-সম্ভাষণ জনাবা। উত্তৰ দিবা দেই।

ইতি

তোমাৰ দাদাৰ

'বসন্ত'

ডুলুৱে তাৰ চিঠিখন পঢ়ি চাই বৰ আনন্দ পালে। ইখন চিঠি পঢ়িব খোজোঁতেই তৰুৱে আহি দেখিলে। সি লৰালৰিকৈ সামৰিব খুজিছে।

"চাওঁ চাওঁ ডুলু সেইখন চিঠি কাৰ?"

"এইখন মোৰ লগৰ ল'ৰা এটাই দিছিল।"

"বাৰু চাওঁচোন দে।"

ডুলুৰ মুখত সদায় হাঁহি লাগিছে। সদায় হাঁহিয়েই থাকে! সি কলে—"তুমি খাতিৰ কৰা; মই তেতিয়াহে দিম।"

"বাৰু কৰিছোঁ।"

"ওঁ চকু মুদা।"

"ওঁ মুদিছোঁ।"

"এইয়া লোৱা।"

সি এখন বগা কাগজ হাতত দিলে।

"ক'তা একো নাই দেখোন?" চকু মেলি কাগজখনত একো নেদেখি তাই কলে।

ডুলুৱে পাৰেমানে হাঁহিলে। তাই খঙতে পাগলীৰ দৰে হ'ল। তৰুৰ যেই-কোনো কথাতেই খং উঠে। সিহঁতৰ হুলস্থুলৰ মাজত মাকে আহি বাধা কৰি কলে—"তহঁতৰ এইবোৰ লাগিছিল। কি হ'ল?"

তৰুৱে কলে—"মা মোৰ চিঠি এখন আছে ই নিদিয়ে।"

"দে ডুলু।"

দিও নিদিওকৈ ডুলৰে চিঠিখন দিয়ে। তাই লৰালৰিকৈ চিঠিখন লৈ ভাৰ পৰা আতৰ হৈ পঢ়িবলৈ ধৰিলে।

মৰমৰ তৰু ;

অচিনাকি ঠাইত মানুহবোৰৰ লগত কথাবাৰ্ত্তা পাতিবলৈ অকলশৰে থাকি ভাল লগা নাই। মই আহিবৰ আজি বহুটো দিন হল। তোমাৰ পৰা কোনো চিঠি-পত্ৰ নাপায় বৰ চিন্তাত আছো। তোমালোকৰ ঘৰখনৰ কাৰণে মোৰ সদায় চিন্তা। কি কৰিম তৰু, কৰ্ত্তব্যই মোক তোমালোকৰ মৰমৰ পৰা আঁতৰত থাকিবলৈ বাধ্য কৰিছে। তৰু ; অকলশৰে [illegible]পুত্ৰৰ পকাঘাটতগৈ বহি থাকো। তোমালোকলৈ মোৰ মনত পৰি থাকে, ভাল আদম্বৰ বোৰ দেখিলে। কি কৰিম তৰু মোৰ জীৱনত অকনো শান্তি নাই। তোমালোকক কেতিয়া পামগৈ কব পৰা নাই! পঢ়া-শুনাত খুব মন দিবা। সকলো বিষয়তে প্ৰথম হৈ উত্তীৰ্ণ হবলৈ যত্ন কৰিবা। তৰু ; তুমি অকল পঢ়া-শুনা কৰিলেই নহব। ঘৰুৱা কামবোৰটো ভালদৰে মনোযোগ দিবা। মাঁৰাক সকলো কামতেই সহায় কৰিবা। ভাইটি, ভনীটিয়েৰাক মৰমৰে চলাবা। তোমাৰ চৰিত্ৰৰ ফালে লক্ষ্য ৰাখিবা। যাৰে-তাৰে প্ৰলোভনত ভোলগৈ তোমাৰ জীৱনটোত কলঙ্ক নানিবা। প্ৰকৃততে তিৰুতাৰ চৰিত্ৰ নিখুত হব লাগে। তৰু যদিও মই বহুটো আঁতৰত অথচ তোমাৰ মই নিচেই ওচৰত[illegible]। তুমি তোমাৰ মোৰ প্ৰতিজ্ঞাবোৰলৈ নাপাহৰিবা দেই। তৰু ; তোমাক লৈ এই

মোৰ জীৱনৰ পথত খোজ কাঢ়িছো। মোৰ সম্ভাষণ তোমাৰ মঁাৰাক দিবা। ভাইটি, ভনীটিক মোৰ, মৰমৰ চুমা দিবা। লগতে তুমিও মোৰ মৰমৰ চুমা লবা। উত্তৰৰ কাৰণে বাট চাই ৰলো।

ইতি

তোমাৰ দাদাৰ

'বসন্ত'

"তাই পঢ়ি গ'ল। মাক ভনীয়েক আৰু ভায়েকে শুনি থাকিল। তৰুৰ বুকুখন যেন তলা-ওপৰা লাগিছে। চকুলৈ দোটোপাল অশ্ৰু বাগৰি নিজৰি ওলাল। মাকে আৰু বুজিবলৈ বাকী নাথাকিল। সিহঁতৰ মৰমবোৰ বৰ জটিল। মাকে বুজিলে; ডুলুৱে হঁাহি হঁাহি ক'লে।

"বাইদেউ তোমাৰ চকুত সেই দোটোপাল কি ?"

তাই লাজ কৰে আৰু কলে—"তই চিঠি দিয়. যদি দিবি। মই দিম, মোৰ লগতে দিব পাৰিবি। কালিলৈ ডাকঘৰত দি থৈ আহিম।"

* * * *

যুগৰ পৰিবৰ্ত্তনৰ লগে লগে মানুহবোৰো পৰিবৰ্ত্তন হয় আৰু সেইদৰে পৃথিবীৰ বাচক-বৰণীয়া শিল্পীৰো মনবোৰ উঠা-নমা কৰে। এই পৃথিবীতেই পুৰণা স্মৃতিয়ে ৰূপ সলাই নতুন পৃথিবীৰে নৱ-সাজ পিন্ধে। এই দৰেই বসন্তৰো মনত নানান ভাৱৰ সৃষ্টি হয়; সি এফালে ঘৃণনীয় সমাজৰ চকুৰ কাষেদি ওলোৱা হিংসাৰ ভাৱবোৰ লক্ষ্য কৰে, আনহাতে উচ্চ আদৰ্শলৈ জগতৰ আবৰ্জ্জনাবোৰ মষিমূৰ কৰি এখন

পৰিষ্কাৰ দেশ গঠন কৰিবলৈ আশা কৰে। এই তুমুল-সংগ্ৰামৰ মাজত তাৰ জীৱনৰ গতি বোৱাব লাগিব। সি ভাবে অকল তৰুৱেই তাৰ জীৱনৰ লক্ষ্য নহয়। সি কৰিব লগীয়া কাম জগতত বহুটো আছে। যদি তাৰ নিচিনা মানুহবোৰেই নকৰে তেন্তে এই আধাৰোৱা কামবোৰ কৰিব কোনে? হয়টো সি জানে যে মানৱ-সমাজৰ জৰাজীৰ্ণ অৱস্থাটো উন্নত কৰিবৰ কাৰণে বহুটো চেষ্টা ও সাধনাৰ আৱশ্যক, তাৰ লগতো যে ভাল পোৱাৰ সম্বন্ধ আছে! ইও চিৰ সত্য। 'য'ত মৰম ৰাজ্য প্ৰতিস্থা হয়, তাতেই চিৰ সুন্দৰো তেওঁৰ মন্দিৰ কৰি থাকিবলৈ ভাল পায়। কিন্তু তাৰ সেই কল্পনা ৰাজ্যত তুমুল সংগ্ৰাম চলিছে। তাৰ সেই সৰুৰে পৰা ভাল পায় অহা তৰু আৰু তেওঁলোকৰ ঘৰখনৰ কাৰণে চিন্তা। আনহাতে সি তাৰ কৰ্ম্মক্ষেত্ৰত আগুৱাই যোৱা চিন্তা। এই দোমোজাৰ ভীত্তিত তাৰ জীৱনৰ পথ ৰচনা কৰিব লাগিব। তাৰ এই কল্পনাবোৰ দিনে দিনে পাৰ হৈ গৈছে। সি সদায় অফিচৰ কাম শেষ হোৱাৰ পিচত উজান বজাৰৰ বৰণৈৰ কাষেদি অলপ ঘূৰি-পকি পকাঘাটৰ পকাটোতহে বহিব। তাৰ এই মন আকাশত বৰণৈৰ সৰু ঢৌবোৰ পশ্চিমৰ মেঘমালা সূৰুযৰ ৰঙিন বোল পাৰঘাটৰ বিজুলি বাটিৰ পোহৰৰ মাজত লুকাই ভাহি উঠে।

সি ঠিক কৰিলে যে অচিনাকি ঠাইত চিনাকি হোৱাটো ভাল; গতিকেই উত্তৰ গুৱাহাটীৰ নিমন্ত্ৰনী ৰক্ষা কৰাটোৱেই ভাল হব। "আ' কালিলৈ ৰবিবাৰ; দেখা যাওক।"

বসন্তই পুৱাতে উঠি গা পা ধুই চাহ-জলপান খাই ফেৰি ঘাটলৈ গ'ল। ফেৰি মেলো-মেলো অৱস্থা। মানুহবোৰ অৱ ভীৰ; তাতে

আকৌ ডাঙৰ মানুহবোৰৰ ধুনীয়া ধুনীয়া মটৰ কাৰ দুখন, বজায় কঢ়িওৱা গাড়ী এখন আৰু নানান ৰকমৰ বেহা-বেপাৰৰ সামগ্ৰী। সিও লৰালৰিকৈ ফেৰিৰ ভিতৰত সোমাল। ফেৰিয়ে দীঘলকৈ এটা উকি দিলে। ধীৰে ধীৰে ফেৰিখন ব্ৰহ্মপুত্ৰৰ মাজলৈ আগ বাঢ়িল। ভাল ভাল মানুহসকলে পইচা বেছি দি ওপৰ মহলৰ আৰামী বেঞ্চত বহিছে। ফেৰিৰ ভিতৰত সি ভাবে যাত্ৰী সকলৰ সাজ পোচাক বোৰ দেখোন একে নহয়। কোনোৱাই বহুটো দামি কাপোৰ পিন্ধিছে; কোনোৱাই ফটা চিটা কাপোৰ পিন্ধিছে, কিছুমানে বহিছে ওপৰ মহলাত ; কিছুমানে বহিছে ফেৰিৰ খেলি মেলি হৈ থকা বস্তা, বাকচ বোৰৰ ওপৰত ; কিছুৱে থিয়হৈ গৈছে। কাৰো মাত বোল কোনেও শুনিবলৈ পোৱা নাই। এটা হুলস্থূল পৰিবেশৰ মাজত পাৰ পালেগৈ। ঘাটেয়ে মানুহ আৰু মটৰবোৰ ফেৰিৰ পৰা যাবলৈ টক্কা দিবই পৰা নাই ; মানুহবোৰৰ গাত তত নাই। জপিয়াই ; জপিয়াইয়েই গৈছে। মতিয়া বোৰে কুলি বাবু কুলি বাবু বুলি চিঞৰিছে। বসন্তই ভিতৰৰ পৰা যোৱা শাৰীবোৰ দেখি তাৰ মনলৈ আনন্দ বিদ্ৰোহৰ ভাববোৰ আহিছিল। কৰিব কি ? উপায়তো নাই। নিয়ন্ত্ৰণ মানুহে নিজে গঢ়ি লৈছে। এই নিয়ন্ত্ৰণ ৰক্ষাৰ কাৰণেই আজি শিক্ষাৰ আৱশ্যক ; যি শিক্ষাৰ পোহৰ পৰি পৃথিৱীৰ চুকে কোনে অৱহেলিত হৈ থকা মানুহবোৰ আগ-বাঢ়ি আহিব ; নিজৰ দেশত সমানে থাকিবলৈ অধিকাৰ বাছি লব। ইজনৰ মৰমবোৰ সিজনৰ বুকুত ভৰাই সিজনৰ মৰম-বোৰ ইজনৰ বুকুত ভৰাই লবলৈ শিকিব। এই দৰেই দুখবেদনা

সকলোৱে সমানে ভগাই লব ; সেই দিনাহে আমি শোষনৰ পৰা পদদলিতৰ পৰা মুক্ত হব পাৰিম। সি সেই নিমন্ত্ৰণ আগ বঢ়োৱা মিনালী চৌধুৰীৰ ঘৰৰ সন্ধানত আগ বাঢ়িল। বহুটো মানুহক সুধি পুচি মিনালীৰ ঘৰ পালেগৈ। মিনালীৰ দেউতাকৰ নাম অতুল চৌধুৰী ; কাম কৰে চাব ডেপুটি। ঘৰ দুৱাৰ বোৰ চাহাবৰ বঙলাৰ দৰে। ফুলনি আদি বৰ ধুনীয়া ; পদুলি বাটত এখন গেট। গেটখন বসন্তই খুলিব খোজোতেই ডাঙৰ বিলাতি কুকুৰটোৱে ভৌ ভৌ কৰি উঠিল। ঘৰত কাম কৰা ছোৱালী এজনী ওলাই আহিল। ছেই ছেই কৰি তাই দেখিলে : হাকিমনীয়ে ভিতৰৰ পৰা মাত লগালে "কোন অ' মালতী !"

"এজন মানুহ আই।„

"কি লাগে।"

"একো নালাগে আই। বিশেষ কাম আছে বোলে।

"বহিবলৈ ক।"

বসন্তই ড্ৰইং ৰুমতে বহিল। ড্ৰইং ৰুম যি ড্ৰইং ৰুম ; সঁচাকৈয়ে বৰ আটোম টোকাৰি কৈ সজায় থোৱা আছে। বাঘৰ ছাল, পহুৰ শিং, ডাঙৰ ডাঙৰ মানুহ বোৰৰ ফটো, আয়নালগা আলমাৰীত নানান ধৰণৰ পুতলা আৰু এচুকত এখন ধুনীয়া টেবুল ; ওপৰত এখন ডাঙৰ মহাত্মাজীৰ ফটো, কাগজৰ ফুল গাঁঠি আঁৰি থোৱা আছে।

সি এটা সামান্য নগন্য মানুহৰ দৰেই বহি আছে। "প্ৰায় আধা ঘণ্টা কোনো দেখোন ওলাই অহা নাই।" তাৰ মনটো ভাগি

গল ; সি তাত থাকিবলৈ ইচ্ছা নকৰিলে। সি ডাঙৰকৈ মাত লগাই আহিব ধৰিলে। মিনালীয়ে পঢ়ি আছিল ; কোন বুলি খিৰিকি ফালে বাহিৰলৈ চালে ; তাই দেখিলে যে সেই দিনা পকাঘাটত বহি থকা মানুহ জন। লৰালৰিকৈ ওলাই আহিল।

"হেৰি নাযাব ৰবচোন ; আহক।"

"এৰা মই আকৌ আপোনাৰ ঘৰ নহয় বুলি ভাবিছিলো। বহাৰো বহুটো সময় হল।"

বসন্তই পুনৰ ঘূৰি আহিল ; মিণালীয়ে বৰ লাজ পালে। তাইৰ মুখখন ৰঙা পৰি গ'ল। তাই ওচৰতে বহি কলে—"যদি দোষ হৈছে মাফ কৰিব।"

"মোৰো যদি অহাত কিবা দোষ হৈছে আপুনি মাফ কৰিব।"

"নহয় দাদা আপুনি যে আজি হঠাতে আহিব, আমাৰ সপোনৰো অগোচৰ। মই পঢ়ি আছো। মাঁই ভিতৰত কিবা কামত ব্যস্ত। চাকৰনী ছোৱালী জনীয়ে ও কোনো ভাঙি-পাতি নকলে।"

"সেই বুলিটো এজন মানুহ বাহিৰত বহুৱাই থৈ গৃহস্থই ভিতৰত থকাটো যানো গৃহস্থী ধৰ্ম্ম? তেওঁৰ সকাম বুজি তেওঁক বিদায় দিয়াটো ভাল। তেওঁটো আপোনাৰ ঘৰতেই বহি থাকিবলৈ নাহিবও পাৰে।"

"মই ইয়াৰ উত্তৰ পিচত দিম। মই ভিতৰৰ পৰা আহোঁ।"

মিণালীয়ে ভিতৰত গৈ চাকৰনী জনীকে খুব খং কৰিলে। মাঁককো সকলো কথা বুজাই দিলে। তেতিয়া লৰালৰি কৈ

চাহ কৰি দানিটোত ভৰাই লৈ আৰু এটাত চেনি, এটাত গাখীৰ লৈ চাহ ৰাকী দিছে। খাওক চোন চাহ অকণমান।

"দাদা আপুনি নিশ্চয় বেয়া পাইছে; আমাৰো দোষ হৈছে। কিন্তু আমাৰ ঘৰলৈ সদায় বহুতো মানুহ অহাযোৱা কৰে। অন্য একো কাৰণ নাই; কেৱল দেউতাক বিচাৰি আহে। মাটি বাৰীৰ বিষয়ে; আমিনো বাৰু কিমান সেই বিলাকৰ লগত কথা পাতি থাকিম। মানুহ বোৰেও বহুতো বস্তু লৈ আহে। তেওঁলোকে খালি হাতে নাহেই। গাখীৰ, মাছ, কণী, জহা-চাউল আদি কত কি লৈ আহে। সেই বিলাক মানুহ আহিছে বুলিয়েই আমি অৱহেলা কৰি আছিলো।"

"অৱশ্যে কথাটো হয়; তেওঁলোকৰো নিশ্চয় দোষ আছে। কিন্তু সেই মানুহবোৰটো অন্য সৃষ্টিৰ মানুহ নহয়; একেখন সৃষ্টিৰেই মানুহ; আপোনাৰ মোৰ দৰেই; হয়টো তেওঁলোকৰ ল'ৰা ছোৱালীয়েও আপোনাৰ দৰে ঘৰ দুৱাৰ লৈ আনকি মাটি দিব পৰা ক্ষমতা কনো লব পাৰে। তেওঁলোকে কত আশা ভৰসা বুকুতলৈ আপোনাৰ ঘৰলৈ কত দূৰ গাঁৱৰ পৰা বাট কুৰি বাই আহে। আপুনিয়েই কৈছে তেওঁলোক খালি হাতে নাহে বুলি; তেওঁলোকৰ ঘৰত খাবলৈ আছেনে নাই; তেওঁলোকৰ লৰা ছোৱালীয়ে অনাহাৰে থাকিব লগা হয়, অথচ তেওঁলোকে ভাল বস্তু নিজে নাখাই আপোনালোকৰ ঘৰলৈ ভাৰ বৈ লৈ আহে। কিজানি এডোখৰ মাটি দিয়ে বুলি। হয়টো সেই ডোখৰ মাটি পালে তেওঁলোকৰ ঘৰৰ বাহটোৰ সমস্যাৰ সমাধান হব পাৰে। আপোনালোকে মাটি দিয়াটো বাদেই এবাৰি

মাতৰো অভাৱ; এটোপা চেচা পানীৰো অভাৱ। চাওকচোন, আপোনালোকে ঈশ্বৰৰ ওচৰত কিমান অন্যায় কৰিছে।” বসন্তই হাঁহি হাঁহি কৈ যায়। মিণালীয়ে একেবাহে উপায়ান্তৰ হোৱাৰ দৰে শুনি থাকে; কথাৰ লগে লগে তাইৰ মন কি যেন হল। তাইয়ো আৰু এই বিষয়ে পুনৰ উলিয়াবলৈ ইচ্ছা নকৰিলে। মাত্ৰ কলে— “আপুনি বহক, মই খোৱাৰ ব্যৱস্থা কৰো।”

“মোৰ কাৰণে খোৱাৰ ব্যৱস্থা নকৰিলেও হব।”

“আপুনি তেনেকুৱা কথা কৈ অন্তৰত আঘাট দিলে বেয়া পাম।

“ভাল তেন্তে ভাল পোৱাটোৱে হওক।”

মিণালীয়ে খোৱা-লোৱা সকলো বোৰ দিহা কৰি মাজে সময়ে কথা বাৰ্ত্তা পাতে। এই দৰেই ভাত খোৱাৰ সময় হল। ভাত আদি খাই বসন্তক জিৰাবলৈ এখন বিছনা পাৰি দিলে আৰু কলে আমি অলপ পিচতেই ফুৰিবলৈ যাম। আপুনি আজি যাব নোৱাৰে; কাইলৈ পুৱাতে খাইলৈ মোৰ লগতে গলেই আপুনি অফিছ পাবগৈ, লগতেই মই স্কুল পাম।

“মইটো আজি যাব লাগিছিল।”

মাকে কলে—“আমি আজি নগলেহে ভাল পাম; কথা বতৰা হোৱাই নাই। লৰাটোও ঘৰত নাই; সি কলেজৰ পৰাই অহা নাই। আজি নাহিলেও কালিলৈ আহিব পাৰে, তাৰ লগতো-চিনা পৰিচয় হলেহে ভাল হব। দেউতাকক পোৱাটো টানেই। তেখেতো ঘূৰি-ফুৰে।

“তেতিয়া হলে আজি ৰকাটোত মোৰ কোনো আপত্তি নাই।”

সময় চাৰি বাজিল, মিণালীয়ে বসন্তক লগত লৈ ৰংমহলৰ পৰ্ব্বতৰ কাষলৈ গল। ৰংমহলৰ ওচৰে পাঁজৰে সৰু সৰু পৰ্ব্বত কিছুমান আছে। তাইৰ বৰ ভাল লাগে। ওখ পৰ্ব্বতটোৰ পৰা চাই পঠিয়ালে শূন্য আকাশৰ তলত সেউজীয়া ঘাহঁনি-বননিবোৰ ধুনীয়া হৈ পৰিছে। সৰু পৰ্ব্বত শাৰীৰ মাজেৰে বৈ অহা জুৰিটীয়ে কুলু কুলু সুৰেৰ নাচনী গীত গাই ৰঙতে নাচি বাগি আহিছে। মইনা, কেতেকী, সখিয়তী চৰাই আদিয়ে সুপুৰিয়াইছে। ইয়াৰ মাজতেই বসন্ত আৰু মিণালীয়ে কথা পাতি গৈ আছে।

"বসন্ত দাদা, চাওক চোন সৌ ধুনীয়া পৰ্ব্বত শাৰী কেনে ভাল লাগে।"

"ও বৰ ভাল লাগে ই আমাৰ অসমী আইৰ ডিঙিৰ মালা।"

"আৰু চাওঁক চোন সৌ জুৰিটি!"

"এৰা সেই জুৰিটিয়ে ছাগে নাচনী পখিলাৰ দৰে নাচি-বাগি আহিছে, তেওঁ বা কাৰ পৰশত ইমান মতলীয়া।"

মিণালীয়ে দৌৰ মাৰি ওখ পৰ্ব্বত এটাত উঠিলগৈ। বসন্ত পাছে পাছে গৈ উঠিল। চপৰা-চপৰ কৈ ডাৱৰবোৰ উঠিব লাগিছে। পশ্চিম আকাশত পৰ্ব্বত শাৰী বুকুতলৈ সূৰ্য্যৰ সাত ৰঙিন বোল সানিছে। বসন্তয়ো মিণালীৰ মুখত পৰি এটি অপূৰ্ব্ব শোভা কৰি পেলালে। এই মুকলি মনেৰে ফুৰা এই হালি যেন সেই পৰ্ব্বতটিৰ হৰিণা-হৰিণীহে। মিণালীৰ চকুৰ কোনত লাজৰ থুপ। অথচ কঁপি উঠা ওঁঠৰ পাহিয়ে বসন্তৰ বুকুৰ দুৱাৰ ভাঙি কোনোবা যেন যাবহে খুজিছে। সি সেই পশ্চিম আকাশৰ সোণালী বোল বোৰ চাই বিভোল

হৈ ওখ টিলাটোত বহি আছে।. মিণালীয়ে কিছুমান বনৰীয়া বন-ফুল তুলি গীতৰ সুৰ ধৰিলে—

মোৰ কামনাৰ এই ফুল
জীৱনৰ সেই সপোনবোৰ,
ভাহেঁ সৌ নীল গৰিমাত।
কাৰ বুকুত ৰছিম মই
সোনোৱালী কৱিতা
সপোন সুৰভি সানি
লিখিম কাৰ প্ৰাণৰ মালিকা॥
তপত চকুৰ টোপালৰ ৰেখাইদি
পখালিম কাৰ চৰণ বিনন্দীয়া
মোৰ কামনাৰ এই.ফুল····।

থক থক চৌধুৰী আপুনি এনে করুণ গীত গাই বনৰ পশু পক্ষীক কন্দুৱাব নেলাগে। প্ৰকৃতিয়ে দিয়া বনফুল অকল আপোনাৰেই নহয়; জগতৰ সকলো প্ৰাণীৰেই। হয়টো আপোনাৰ গীতে মোৰা হিয়াত আঘাত দিছে। আপোনাৰ কামণাৰ পূজাৰী সময় হলে নিশ্চয় আহিব। তাৰ কাৰণে আপুনি করুণ গীতৰ সুৰ ধৰি চকুলো টুকিব নেলাগে। নেলাগে চৌধুৰী নেলাগে। আপোনাৰ বন ফুল মৰহী নাযায়। সদায় জীয়াই থাকিব।

বসন্তৰ দোটোপাল চকুলো বাগৰি.গল সি আৰু কথা কব নোৱাৰিলে। মিণালীয়ে চকুলো টোপাল চাদৰখনেৰে মোহাৰি দিলে। হয়তো নাজানে তাইৰ কি কাৰণত বসন্তৰ প্ৰতি ইমান মৰম···

"দাদা আপুনি কিয় কান্দিছে ?"

"কান্দিছো, মই কান্দিছো। হয়তো আপুনিও এদিন মোৰ দৰেই কান্দিব নহয়নে ?"

"কিয় মই কান্দিম।"

"অ' হয় আপুনি নাকান্দে। কিয়নো আপুনি লাহ বিলাহত দিন নিয়াই পৰৰ শোষণ কৰি অনা ধনেৰে পালিত। গতিকে আপোনাৰ চকুৰ পানীৰ কোনো মূল্য নাই।"

"আপুনি তেনে কথাকৈ মোৰ অন্তৰত আঘাত নিদিব। আপুনি দুখীয়া বুলি আপোনাকতো মই ঘৃণা কৰা নাই। যদি তেনেকুৱা ভাব কৰিলোহেঁতেন আপোনাৰ প্ৰতি ইমান কম সময়ৰ ভিতৰত ইমান গধুৰ মৰম দেখুৱাব নোৱাৰিলোহেঁতেন। লওক মোৰ এই বনফুল আপোনৰে কোচত লওক।"

নহয় চৌধুৰী আপুনি খুব ভুল বুজিছে। ই কেতিয়াও হব নোৱাৰে। মই আপোনাক ভাল পাওঁ মোৰ দেশৰ মাতৃ হিচাবে; মোৰ দেশৰ বাইভণী হিচাবে। চাওকচোন আমি কিমান ওখত আছো আৰু সেই দূৰত থোৱা মানুহ জন কিমান তলত। তেওঁ হাত মেলিলে চুকি পাবনে ? কেতিয়াও নাপায়। ঠিক সেই দৰে আপোনাৰ মোৰো একেই। আপুনি এজন হাকিমৰ জীয়াৰী আৰু মই হৈছো পৃথিবীৰ অৱহেলিত মানুহ। কিমান দূৰ ভাবি চাওক। ব'লক উভতিয়া যাওঁ; সন্ধিয়া দেবীয়ে আৱৰি ধৰিছে।"

"ভাল বাৰু যাওঁ ব'লক।"

দুয়ো ঘৰমুৱা হল। কিন্তু মিণালীয়ে বসন্তক বুজিব নোৱাৰিলে।

কতই চেষ্টা কৰিলে ; সীমা নাই। সেই দিনা নানান ধৰণৰ কথা পাতি ইদিনাখন নিজৰ কুটিৰৰ ফালে যাত্ৰা কৰিলে।

* * * * *

বসন্তই অফিচৰ কাম কৰি আহি মেছত সোমায়েই টেবুলৰ ওপৰত এটা লেফেফা দেখি লৰালৰিকৈ বিজুলি বাতিটো জ্বলাই খুলি পঢ়িবলৈ ধৰিলে—

শ্ৰীযুক্ত বসন্ত দাদা—

বহুত দিনৰ মূৰত আপোনাৰ চিঠিখানি পাই যেন জীৱনৰ হেৰোৱা সপোন ঘুৰাই পালো। আপোনাৰ লৱনু তিনিটা আঙুলিৰে ভৰদি লিখা মুকুতা মানিকৰ দৰে জিলিকি থকা আখৰ কেইটি পঢ়ি ক'লা ঘুগটিত কেচুৱাই সাৰ পোৱাৰ দৰে আনন্দত মতলীয়া হৈ মৰহী যোৱা চিন্তা ভাৱনা পুনৰ সজীৱ হৈ উঠিল দাদা ; আমি ভাবিছিলো আপুনি গুৱাহাটী নগৰীৰ নতুন ভাব ধাৰাৰ নতুন কোনোবা সঙ্গিনী পায় আমাৰ এই গাৱঁৰ চেচুকৰ দাম ডেউকালৈ পাহৰি পেলালে। কিন্তু আপোনাৰ চিঠিখনিয়ে প্ৰমাণ কৰিলে যে পহৰা নাই। আপুনি যোৱাৰ পৰা আমাৰ ঘৰখন য়েন একেবাৰেই নিঠকৰা হল। আপোনাৰ কথা ডুলু, কুনু, মনুৱে সদায় কৈ থাকে। মায়ে সদায় আপোনাৰ কাৰণে চিন্তা কৰি থাকে। মোক চিঠি লিখিবলৈ কয়। মই আকৌ আপোনাৰ এড্ৰেচটো নাজানো। মোৰ সদায় আপোনালৈ মনত পৰি থাকে, আপোনাৰ চিন্তাত মোৰ কৰিব লগা কামো নকৰি আন কাম কৰোঁ। ডুলুৱে মোক খুব খং উঠাই থাকে। আপোনাৰ আশীৰ্ব্বাদত মোৰ পঢ়াশুনা ভাল দৰে চলিছে ; ডুলুৱো ভালেই চলিছে কিন্তু এটা কথা

মই বৰ বেয়া বেয়া সপোনবোৰ দেখি থাকো আপুনি কাৰোবাৰ লগত প্ৰণয়সূত্ৰে বান্ধ খাই বাধিত হৈ মোক এৰি দিছে যেন। আৰু কত............। অ' আৰু মানে মোক গাঁৱৰ মানুহবোৰে আপোনাৰ লগত........মই বৰ অসুবিধাৰ মাজেৰেহে পৰিছো ; মই হলে আপোনাক এক মন এক চিত্তেৰে ধ্যান কৰি আছো। কতই কত কথা কয় অথচ মোৰ অন্তৰ কোনেও পাব নোৱাৰে। মই সদায় আপোনাৰ মঙ্গল কামনা কৰি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰো। আপুনি নিশ্চয় সোনকালে আমাৰ ইয়ালৈ আহিব। বহুতো কথা আছে ; চিঠি লিখি অন্ত কৰিব নোৱাৰি ; সৰ্ব্বশেষত মোৰ সেৱা গ্ৰহণ কৰিব। যেতিয়া আহে লিখিব।

ইতি

আপোনাৰেই

মৰমৰ—'তৰু'

বসন্তই চিঠিখন পঢ়ি দীঘল হুমুনিয়াহ এটা কাঢ়ি চিঠিখন সামৰি ৰাখি চাহ খায় ফুৰিবলৈ ওলাই গল। সি ভাবে তাৰ যেন মানসী প্ৰিয়াৰ তৰুৰ ছবিখন তাৰ সন্মুখত ভাঁহি ফুৰিছে! সি গুৱাহাটী চহৰৰ বিজুলি বাতিৰ লুকা ভুমুকাৰ মাজেদি সি আগুৱাই যাব লাগিছে। যায় কলৈ কোনেও কব নোৱাৰে। ঘোৰ অন্ধকাৰ। বতাহ বৰষুণবোৰ জোৰেৰে আহিছে। বৰনৈৰ পানীবোৰ আহি পাৰত পৰিছেহি। হঠাতেই বিজুলি বাতি বন্ধ হৈ গল। সি যে কোনোৱা এঘৰত সোমাব লাগে কব নোৱাৰে। তিতি বুৰিয়েই গৈ আছে। সি কিন্তু তাৰ ৰাস্তাৰ চাইদ পাহৰা নাই। অকস্মাত এখন ৰিক্‌চাই তাক পাচ ফালৰ

পৰা খুন্দা মাৰি দিলে। সি বাগৰি গল। ৰিক্‌চাই চাইদ কাতিলে; অথচ সি নিৰোত্তৰ।

"এই ৰাখ তো" বুলি এজন মানুহ ৰিক্সাখনৰ পৰা নামি আহিল।

"কোন আপুনি ?"

বসন্তই মাতষাৰ বুজি পালে, তাৰ বন্ধুজন। "মই বসন্ত।" বন্ধুজনে লৰালৰিকৈ তাক তুলি ৰিক্সাত উঠাই লৈ ডাক্তৰখানালৈ গল। তাৰ বহুতো ঠাইত ঘা লাগিছিল। ডাক্তৰৰ পৰা ঔষধলৈ দি ঘা বিলাকত বেন্দেজ কৰি দিলে। তাৰ পিচত তাক ভিৰণি মেচলৈ লৈ গ'ল।

দুদিনমান মানৰ পিচত তাৰ বন্ধুজনে সুধিলে—"সিদিনা আপুনি বলীয়াৰ দৰে কিয় এনেকৈ গৈছিল ?" হাহি কলে।

"এৰা মোৰ দোষ হল, কি কৰিম ? গৈছিলো কিয় মই নিজেই কব নোৱাৰো। আন দিনা যোৱাৰ দৰেই গৈছিলো, সিদিনা যে এনেকুৱা হব মইতো কব নোৱাৰো।"

"বন্ধু মই বুজিছো আপুনি কিয় ইমান অধিৰ হৈছে। মই কওঁ আপুনি এনে ভাব ললে কামত উন্নতি কৰিব নোৱাৰে।"

"নহয় আপুনি মোৰ অন্তৰৰ কথা হয়টো বুজিবলৈ বহুত বাকী আছে। হয়টো আপুনি এনেকুৱা মৰমৰ বান্ধত পৰা নাই। সেইহে আজি মোক এনেদৰে কৈছে।"

"মই সকলো জানো; আপোনাতকৈ মোৰ বেছি জনা আছে৷ এই নাৰী জাতিৰ আপুনি অন্তৰ কেতিয়াও পাব নোৱাৰে। এদিন চাব যেতিয়া তেওঁৰ স্বাৰ্থসিদ্ধি হব আৰু আপোনাতকৈ বেছি উপযুক্ত

মানুহ বা বিলাসিতা বা উচ্চ শ্ৰেণীৰ সন্তাৰ পাব তেতিয়া আপোনাৰ সেই গাৱঁৰ তৰুৱেও এদিন আপোনাক শেতেলিত কন্দুৱাই আপোনাৰ মৰম চেনেহ নেওচি নতুন সঙ্গীক দিগ্বিত মালা দান কৰিব।”

“এনেকুৱা বিশ্বাসঘাটকৰ জীৱনত জানো সুখ হব পাৰে ?”

“কেতিয়াও নহয়। কিন্তু সেই সময়ত সিহঁতে নাভাবে ভবিষ্যত কি ? হয়তো তাই চকুপানী টুকি টুকি জীৱনৰ দিন কেইটি বিদায় দিব লাগিব। তেতিয়া আপোনাৰ মৰমৰ চাকনৈয়াৰ কথাৰ প্ৰতি মুহূৰ্ত্তে সোঁৱৰিব।”

“মোৰ তৰু এনেকুৱা কেতিয়াও নহয় মোৰ তৰুৰ অন্তৰত কোমলতা, সৰলতা নিশ্চয় আছে। সেই কাৰণেই আজি মই তৰুৰ বাহিৰে আনক ভাল পাবলৈ শিকা নাই।”

“আপুনি হয়তো ভাল নাপাব পাৰে, তৰুৱে যে ভাল পাবলৈ শিকিব··· ?”

“তেতিয়া স্বাধীন দেশৰ নাৰী হিচাবে মহা পাপ কৰিব। তেওঁৰ গৰ্ভত অকৃতজ্ঞ সন্তানে দেখা দিব আৰু তেওঁৰ শিক্ষাত কলঙ্ক আনিব।”

“সেয়েটো আজি আমাৰ দেশৰ লৰা-ছোৱালীৰ কৰ্ম্ম শিথিলতা আৰু নিপুণতা নাই। দেশক গঢ়িবলৈ কোনো পৰিকল্পনা ৰচনা কৰিব নোৱাৰে। যি এজন নেতা হয়, দুৰ্ব্বল আৰু কম চিন্তাশীল হয়। তাৰ দোষতেই আজি আমাৰ দেশত নানান ৰকমৰ সমস্যায় দেখা দিছে। অ' আৰু এটা কথা—মই নিজ চকুৰে দেখা এজনৰ ভাল

পোৱা সামগ্ৰী আনজনে ভাল পাবলৈ গৈ সেই তিৰোতাৰ পৰা প্ৰকৃত ভাল পোৱা আদায় কৰিব নোৱাৰে। মাত্ৰ তেওঁ বিবাহ বিচাৰে; বিবাহ হে পায়। সেই কাৰণে পুৰুষ সকলে তেনেকুৱা লোকৰ পূজাৰ ফুল তুলিবলৈ যোৱাটো অনুচিত। প্ৰথমে পৰশ বিলাই শেষলৈকো তেনেকুৱাই যদি থাকে তেনেহলে জীৱনত শান্তি পায়। দুখীয়া হলেও তাতে শান্তিৰ ৰাজ্য প্ৰতিস্থা হয়। ধন-ধান ঐশ্বৰ্য্য-বিভূতি হয়।• তেনেকুৱা জীৱনৰ ঔৰষত.প্ৰকৃত সন্তান প্ৰসৱ হৈ মেধাবী হৈ দেশৰ দৰিদ্ৰ মানুহৰ কাৰণে তেওঁৱেই এদিন কান্দিব। বুজিছে বন্ধু; আপুনি এইবোৰ মৰম এৰি নিজৰ কৰ্ত্তব্যময় জীৱন গঢ়ি লওক। ই সকলোখোৰ সপোন মাথো। এদিন,আপোনাৰ এই সপোনবোৰ ভাঙি গুচি যাব ক'ৰবালৈ।"

"বন্ধু, আপুনিতো মোৰ মনৰ কথাকে কৈছে। মই সদায় ভয় কৰি আছো যে তকৰে এদিন মোক ঠগিব। তকৰে এদিন মোক বিছনাত পেলাই কন্দুৱাই ৰং চাব।"

"মই জানো বন্ধু সকলো জানো। কিন্তু এনেকুৱা ঠগপ্ৰবঞ্চকৰ কাৰণেই আজি জগতৰ প্ৰণয় পাহিত কেৰোণে ধৰিছে। আজি সেই প্ৰেমত বুৰ যোৱা প্ৰিয়া হেকৱা প্ৰেমিক সকলে এনেকুৱা কুটিল প্ৰণয়ক পদাঘাট কৰি চিৰ জীৱন অতিবাহিত কৰি গৈছে। কিন্তু এনে ঠগ প্ৰবঞ্চকৰ কাৰণে আজি সকলো সাজু হব লাগিব। এনে সৰলমনা প্ৰেমিকক নেওচি যোৱা সকলৰ অন্তৰত তেওঁলোকৰ মাতৃত্বৰ অন্তৰ নাই। এনেকুৱা নীতিকেই আজিৰ দেশে নিন্দা কৰে।" মেছুৰ বান্ধনিটোৱে ভাত খাবলৈ মাতিলে। দুয়োৰো কথা শেষ হল।

বসন্তই খাই-দাই তৰুৰ কথা ভাবি ভাবি নিদ্ৰাদেবীৰ কোলাত আশ্ৰয় ললে।

* * * *

দিনৰ পিচত দিন বছৰৰ পিচত বছৰ পাৰ হৈ গৈছে। তৰুৰ যৌৱনৰ সৌন্দৰ্য্য ফুটি উঠিছে। মাকৰ আৰু অন্যান্য লগা-ভগা সকলৰো চিন্তা যে তৰুক পঢ়োৱা যায়নে নাই বিয়া দিয়া যায়? মাকে ভাবে মোৰ প্ৰথম ছোৱালী তৰুৰ জীৱনত যেন কোনো অশান্তি 'দেখা দিব নোৱাৰে। কিন্তু ধনী মানুহৰ লৰালৈ বিয়া দিবলৈ বা ডাঙৰ অফিচাৰলৈ দিবলৈ তেওঁৰ টকা ক'ত? তেওঁ সেই শাৰীৰ সন্মান বজায় ৰাখি বিয়া দিব বা কেনেকৈ? আনহাতে তেওঁলোক হৈছে দুখীয়া। তেনে মানুহে বিয়া কৰাবৰা কিয়? আকৌ ভাবে যদিও ধনী মানুহৰ লৰালৈ বিয়া দিওঁ আমিয়েই বা চিনাকি দিম কেনেকৈ? তেওঁলোকেই বা আমাক ভাল পাবনে? মাকে এই চিন্তাবোৰৰ সমাধান বিচাৰি নাপালে। তেওঁৰ কল্পনা কল্পনাতেই বল। তেওঁ কিন্তু বসন্তৰ কথা পাহৰা নাই। মাকে জানে যে তৰুক সকলো প্ৰকাৰেই বসন্তই ভাল পায় আৰু তৰুৱেও ভাল পায়। তৰুৰ বসন্তৰ লগত বিবাহ সোমোৱাটো কোনো আপত্তি নাই। ভায়েক দুলুৱেও বসন্তলৈ দিবলৈ সাজু। কিন্তু তেওঁলোকৰ বংশ পৰিয়ালৰ কোনো যেন মতামত নাই। সেই হেতুকে মাকে আজি উপায়বিহীন হৈ ভাবিব লগা হৈছে। যদি আনলৈ দিয়া যায় তেতিয়া হয়টো তৰুৱে সন্মত নিদিবও পাৰে বা হলেও তাইৰ বসন্তৰ বাহিৰে প্ৰকৃত মৰম আনক দিবলৈ মত নহবও পাৰে বা বসন্তয়ো তৰুক নাপালে বিবাহ নকৰাবও পাৰে।

তেন্তে এতিয়া উপায় কি ? তৰুকেই বা সোধে কেনেকৈ। এই খেলি-মেলি ভাববোৰ লৈ মাকে ৰান্ধনি ঘৰত ভাত ৰান্ধি আছে। চৰুত তেল মাৰোতেই তেলত জুই উঠি গল। কথমপিহে ৰক্ষা পৰিল।

"মা ভাত দিয়ক, আমাৰ দেৰি হল স্কুললৈ যাওঁ।"

"অলপ ৰ' তৰু, ভাজিখন হওক, খাই যাব পাৰিবি।"

"ভাজি নহলেও হব মা, সৌ লগৰ ল'ৰা-ছোৱালীবোৰ গলেই। আমিও যাওঁ তৰকাৰীৰে দিয়ক।"

মাকে লৰালৰিকৈ ভাত আনি দিলে। দুলু আৰু তৰুৱে খালে। ভেলেঙি মাকে সিহঁতৰ কঢ়া আঁজোৰাবোৰ চাই হাঁহি আছে। কিন্তু প্ৰত্যেক মুহূৰ্ত্তে দেউতাকলৈ মনত পৰি চকুৰ পানী দুগালে বাগৰি গল। দুলু আৰু তৰুৱে মাকৰ এই অৱস্থা দেখি বুজিবলৈ বাকী নোথাকিল। দুলুৱে ঘপহ কৰি কলে—"মা দেউতা থকা হলে কিমান আজি আনন্দ লাগিল হেঁতেন।"

"কি কৰিবি সোণ! তহঁতৰ ভাগ্য; মোৰেই কি বা পাপৰ ফলত দেউতাৰক অকালতে হেৰুৱালো। আজি মই তহঁতক লৈ কিমান চিন্তা কৰিব লগা হৈছে।"

"এৰা মা, কিন্তু বসন্ত দাদা আছে নহয়, কোনো চিন্তাৰ কাৰণ নাই। তেওঁ নিশ্চয় আমাক সহায় কৰিব। মোৰ খুব বিশ্বাস আছে মা।"

"তেওঁ যে দুখীয়া সোণ, তেওঁনো তহঁতক কিমান সহায় কৰিব।"

"নহয় মা, তেওঁ দুখীয়া হব পাৰে, তেওঁৰ মন চহকী, তেওঁৰ মানদণ্ড, তেওঁৰ অন্তৰ দয়া মৰমেৰে গঠা। এই কেইটা বস্তু যাৰ থাকিব, ধন সম্পত্তি একো নালাগে। সকলোৰে পৰা, তেওঁ সম্মান পাব,

সকলোৰে পৰা তেওঁ আদৰ পাব। আৰু এই গুণৰ দ্বাৰাই তেওঁ ধনী মানি হৈ দেশৰ যশ কীৰ্ত্তি যুগমীয়া হৈ যাব মা।”

তৰুৱেও লগতে সমৰ্থন জনালে। কিন্তু বসন্তৰ কথা মনত পৰি তাইৰ মুখ ৰঙা পৰি গৈছিল। মাকে দুলুৰ এনে উচ্চ জ্ঞানৰ কথাশুনি আনন্দ পালে।

“যা বাছাহঁত, তহঁতক যেন ঈশ্বৰে মঙ্গলে ৰাখক।”

*   *   *   *   *

মৰম চেনেহৰে গঠা এই পৃথিৱীখন। মানুহৰ অবিৰাম সংগ্ৰাম; মানুহে মানুহৰ বুকুত বহুৱাই ছুৰি; তাৰ বিনিময়ে শোণিতৰ ধাৰ; তাৰ বিনিময়ে হয় শান্তি ৰাজ্যত অশান্তিৰ বা। কতই কতৰ আক্ষেপৰ বোজালৈ ঘূৰি ফু..। কতই কতৰ জীৱনত মৰমৰ ভাল পোৱাৰ তলিচা সাজি আশা ফুলীয়া ফুল বাছি মৰহাই দিছে। কতয় প্ৰিয়া হেৰুৱাই গালত চকুলো বোৱাইছে কতই দৈনন্দিন জীৱনত সপোন ৰচি পুনৰ ভৰিৰে মোহাৰি পেলাই এই মৰম ভৰা ইতিহাস, কল্পনাৰ সফুৰা ৰচি সপোন সৌৰভত বুৰগৈ যৌৱনৰ ভৰ দুপৰীয়া পাহি মেলি উঠে। যমুনাৰ পত্নমী হাঁহি হাঁহি আহ্বানে সৰগৰ জোনক। প্ৰকৃতিৰ সেউজী বোলেৰে বোলাই পৃথিবী। বসন্তই আনি কাননৰ ফুল বাছি দিয়ে মোৰ আই অসমীৰ খোপাত। লোৱা আই মোৰ জননী। চাওঁ চাওঁ কেনেনো ধুনীয়া তোমাৰ এই বেশ। কিন্তু তুমি নিঠকুৱা আই তোমাৰ বুকুত পালিছা ৰাক্ষস-ৰাক্ষসীৰ দল। প্ৰবঞ্চক নিঠুৰ মানৱৰ দল। অথচ তুমি আনন্দিতা। তোমাৰ বুকুত আই মৌনব্ৰত

ধৰি কিয় বয় আজি বৰনৈ। 'সৃষ্টিকৰ্ত্তাৰ দান, এই আকাশ পাতাল পৃথিবীৰ হাতত জীৱ জন্তু নৈ সাগৰ আৰু দেখো শত বস্তু। কিন্তু তোমাৰ কিযে খেলা। কিছু থাকে ৰাজ অট্টালিকাৰ হেৱাই মহলত আৰু কিছুৱে থাকে জুপুৰী ঘৰত। কিছুৱে থাকে নাঙঠা হৈ গছৰ তলত। এইবোৰ তোমাৰ কেনেকুৱা কাম; নাই মানুহে নিজে কৰা কাম। ৰাতি এপৰ, আন্ধাৰ নিজান নিস্তব্ধ পৃথিবী; সৰু সৰু বতাহ জাকে পকা গছৰ পাত বোৰ শিৰ শিৰ কৰি তললৈ সৰাই দিছে। 'তাৰ যেন আজি কত বছৰৰ ভাগৰুৱা জীৱনটোৱে এফেৰি জিৰনি পাইছে। তাক সপোন দেবীয়ে আৱৰি ধৰিলে। এই দৰেই কত মানুহৰ অন্তৰত ভাবৰ ঢৌ খেলে; কতই ভাল পোৱাৰ সপোন ৰচি পগলাৰ দৰে ঘূৰি ফুৰে আৰু কতই ছাগে ঠাট্টাবিদ্ৰুপ কৰি তাক কয় সি পগলা। সিহঁতে এদিন তাৰ গালৈ শিলগুটি পকা-চপৰা দলিয়াব। এই মানুহবোৰক বুজি-বলৈ এওঁলোকৰ অৱস্থা জানিবলৈ কোনোবাই জানো চিন্তা কৰে। এইয়েই মানুহৰ ভাল পোৱা। এই কুটিল ভাল পোৱালৈয়েই আজি জগতৰ প্ৰেমিক সকলে খেদে মৰিচীকা।

সি তাৰ সৰু বিচনাখনত বহি বলকি শুই পৰে। তাৰ চকুত টোপনি নাই। এফালে তাৰ নিচেই কাষতে কলেজীয়া ছাত্ৰী। এছ, ডি, চি হাকিমৰ প্ৰথমা ছোৱালীৰ মৰমৰ আহ্বান আৰু আন হাতে সৰু কালৰে পৰাই ভাল পাই অহা তাৰ গাওঁৰ তৰুৰ আৰু তেওঁ লোকৰ ঘৰখন। সি কোনটো কৰিলে ভাল হব উপায় পোৱা নাই। তাৰ এই দুখ লগা অৱস্থা দেখি নিদ্ৰাদেবীয়ে আকোৱালী ধৰিলে।

আন্ধাৰ ঠেলি দি পোহৰে হাঁহি মাৰিলে। ৰাজ বাটত মটৰ, ৰিক্সা, চাইকেল বোৰৰ শব্দ শুনা গল। পক্ষীবিলাকেও নানান সুৰৰ চেৰত নাচিবলৈ ধৰিলে। বসন্তয়ো গা-মুৰ জোকাৰি দীঘল হামিয়াহ এটি মাৰি উঠি আহিল। মুখ ধুয়েই চাহ টুপি খাই সি অফিছৰ আধা কৰা কামবোৰ কৰিব লাগিব। ১০ বজাত অফিছ পাব লাগিব। তকৰ চিন্তাৰ লগতে তাৰ চাকৰি বজায় ৰখাটোও চিন্তা। কিয়নো তেহে দুবেলা দুমুঠি খাই জীয়াই থাকিব পাৰিব। সি তাৰ সকলো কাম কৰি ভাত পানী খাই অফিচলৈ গল। অফিচৰ টেবুলৰ ওপৰত থকা কাগজ পত্ৰবোৰ দমহৈ থকা দেখি তাৰ খঙে মুৰৰ চুলি পালে। সি কিমান আৰু কলম চলাব। নচলালেও চাকৰি নৰয়। ইফালে ওপৰৱালাৰ কাৰা হুকুম যে তিনি দিনৰ ভিতৰতে সকলো কাম শেষ কৰি দিব লাগে আৰু নিৰ্দ্দিষ্ট সময়ত সকলো অফিচ পাব লাগিব। সি তৰুক ভাবিব নে মিণালীক ? নাই কাম কৰিব। সময় নাই কামো কৰি আছে আৰু লগে লগে চিন্তাতো আছে। এনেতে পিয়ন এটাই চিঠি এখন আনি দিলে। চিঠিখনৰ খামৰ ওপৰত থকা আখৰ কেইটা চিনি পাই সি আগ্ৰহেৰে জেপত ভৰাই থলে। কাম শেষ হল, ৪ বাজিল, সি নিজৰ মেছৰ ফালে আগ বাঢ়িল। মেছ পাই লৰালৰিকৈ চিঠিখন চাই পঢ়িবলৈ ধৰিলে।

অতি মৰমৰ দাদা ;

দিনবোৰ গৈ আছে। মনটোও ভাল নলগা হৈছে। আপুনি যিমান আতৰি গৈছে ; মোৰ মন সিমান ওচৰ চাপি গৈছে। আপোনাৰ উপদেশ ও মৰমসনা মাতে আমাৰ ঘৰখন পোহৰ কৰি

থৈছিল। মই জানো ; আপোনাৰ দিহা-পৰামৰ্শ মতে ভুলু আৰু মই ক্লাচ X পালোহি। এইবাৰ আমি দুয়ো দ্বিতীয় হৈ উত্তীৰ্ণ হৈছো। আমাৰ কেইবাখনো আৱশ্যকীয় কিতাপ কিনিব লগা আছে আৰু কাগজ-পত্ৰ বহুটো। আনহাতে ঘৰুৱা অন্যান্য সমস্যাইও আমাক চিন্তাত পেলাইছে। মঁাৰ সদায় চকু পানী সুগুছে।ময়ো উপায় পোৱা নাই ; ঘৰৰ ককাই ভাইয়েও কোনো সহায় নকৰে। মোৰ আপোনাৰ ওচৰত অনুৰোধ যে মই নপঢ়িলেও শ্ৰীমান ভুলুক পঢ়াব পাৰিলেও আমাৰ সাৰ্থক হব। গতিকেই ইয়াৰ সকলো দায়িত্ব আপোনাৰ ওপৰতেই নিৰ্ভৰ কৰিব খোজো। এই বিষয়ে মই আপোনাৰ চিৰ ধৰুৱা হৈ থাকিম। ঘৰৰ ককাই ভাইয়েও আমাক হিংসা কৰে। আপোনাক এবাৰ দেখা পাবলৈ বৰ ইচ্ছা কৰিছো। চাওক-চোন ইমান বছৰ·······কিমান বেয়া লাগে। গতিকেই আপুনি নিশ্চয় মোৰ অনুৰোধ ৰক্ষা কৰি আহি যাব। বহুতো কব লগীয়া কথা আছে। মোৰ ভক্তি ভৰা সেৱা গ্ৰহণ কৰিব।

ইতি—

আপোনাৰ

মৰমৰ

তৰু।

সি চিঠিখন পঢ়ি ভাবিলে যে মই কালিলৈ টকা ৫০৲ টা ডাক যোগে পঠাম আৰু ঠিক কৰিলে ছুটীলৈ বিহুৰ বন্ধতে যোৱাটো ভাল হব। বিহুত যোৱাও হব লগতে তৰুহঁতৰ ঘৰৰ সকলো সুবিধা কৰি দি আহিব। বিহুলৈ আৰু ১৫ দিন বাকী। সি ভাবে সি কেতিয়াও

তৰু আৰু দুলুক আৰু তেওঁলোকৰ ঘৰ খনক এৰি থাকিব নোৱাৰে। তৰুক মেট্ৰিক পাচ কৰাবই লাগিব। দুলুকো মই মেট্ৰিক পাচ কৰোৱাই এটা ভাল লাইন লগোৱাই দিব লাগিব। তৰুহঁতৰ ঘৰখনৰ ভগ্য বিধাতা কোন ? সিহঁতৰ ভাগ্য নিৰ্ণয় কৰিব কোনে ? পিতৃহীন মাউৰা ল'ৰা ছোৱালী কেইটাৰ জীৱনৰ গতি বোৱাব কোনে ? সিহঁতক সমাজত মানুহহিচাবে ঠিয় কৰাব কোন ? তৰুক তাৰ অৰ্দ্ধাঙ্গিনী হিচাবে লৈ দুয়ো মিলি দুলুক মানুহ কৰিব লাগিব। তাৰ জীৱনৰ এইয়ে সপোন। সি ভাবিলে ধন দৌলত লৈ মানুহ জীয়াই থাকিব নোৱাৰে। জীয়াই থাকিব লাগিব এখন পবিত্ৰ মৰমৰ অন্তৰলৈ সেই দেখি সি এছ, ডি, চি হাকিমৰ আলসুৱা ছোৱালীক বিবাহ কৰাটো ভুল হব বুলি ভাবি সেই আশা এৰি দিয়া ঠিক কৰিলে।

সি এখন টেলিগ্ৰাম মণিঅৰ্ডাৰ কৰি তাৰ কৰ্ত্তব্য কামত লাগি গল। ....

*   *   *   *

বিপ্লবৰ যুগত বিপ্লব লাগিবই। যি দেশৰ মানুহৰ অন্তৰত বিপ্লৱ জাগি নুঠে সেই দেশে কোনো উন্নতি কৰিব নোৱাৰে। সদায় লোকৰ দেশৰ মুখাপেক্ষি হবই লাগিব। যুগ যুগ ধৰি বিপ্লৱৰ শিখা মানুহৰ অন্তৰত জ্বলি থাকিব লাগিব। এনে বিপ্লৱে এদিন দেশৰ পৰিৱৰ্ত্তন আনিব। আৰু দেশৰ শান্তিও আনিব। তাৰ মাজতেই দেশৰ জীৰ্ণ-শীৰ্ণ জনতাই আনন্দৰ হাত পাতি খেলিব। শোষনৰ পৰা মুক্তি এদিন বিচাৰিব। এই পথৰ দৰিদ্ৰ ভিক্ষাৰীবোৰেও জানিব এদিন মানুহে মানুহৰ ওপৰত কৰা শোষন, অন্যায়, অবিচাৰ আদি।

সেই কাৰণে সিহঁতে পৰিবৰ্ত্তন বিচাৰে ; সেই কাৰণেই সিহঁতে ন্যায় বিচাৰে। সেই কাৰণে সিহঁতে গান্ধীজীৰ প্ৰকৃত স্বৰাজ বিচাৰে। এই যুগতেই জন্ম-লোৱা তৰুৱে বিচাৰে এখন মানুহৰ অন্তৰ। সেই অন্তৰ হৈছে বসন্তৰ কোমল পৰশৰ হিয়াৰ কোনে কোনে বিয়পিপৰা অন্তৰ। গতিকেই তৰুৱে ৰাজঅট্টালিকাৰ অচিনাকি মানুহৰ অন্তৰ লবলৈ সক্ষম নহয়। ইয়াৰ মাজতেই আছে ক'লা অন্তৰৰ কিছুমান মানুহ। যি মানুহে আনৰ সুখত ৰাতি নিদ্ৰা নাযায়, তৰুৰ সুখৰ সপোনবোৰ ভাঙিবলৈ তেওঁলোকৰ আপোন-সম্বন্ধীয় মানুহবোৰে উঠি পৰি লাগিল। বিধাতাৰ মিলনত মানুহে ঘটায় বিচ্ছেদ। তৰুৰ মাকক সেই মানুহবোৰে নানান ধৰণৰ কথা কবলৈ ধৰিলে। বসন্তৰ প্ৰতি বেয়াভাব সুমুৱাই দিলে। কিন্তু সৰল চিতীয়া বিধৱা মাকে এই কথাবোৰ মানি লবলৈ ইচ্ছা নকৰিলে। তেওঁ শুনিয়েই থাকিল। দুৰ্ব্বল সমাজৰ নিশকতীয়া ভাবধাৰাই এহালী বনৰ পক্ষীক বেলেগে ৰাখি সৰু ছোৱালী ওমলাই সিহঁত হয় সুখী। সেই পক্ষীয়ে পায় এটা লোহাৰ গৰাল। এই দুৰ্বুদ্ধীয়া মানুহবোৰে মুকলি মনেৰে উৰি ফুৰা পক্ষীকো নিজৰ স্বাৰ্থ খাতিৰত পক্ষীৰ মিলনত বিচ্ছেদ ঘটাই সুখী হয়। এইয়ে হল আমাৰ মনুষ্যত্ব জ্ঞান। এইয়ে আমাৰ সমাজ ; এই সমাজ ব্যৱস্থাই বিচাৰে দেশৰ উন্নত পন্থা। দেশৰ মানদণ্ড উচ্চ শিখৰত ৰাখিবলৈ ভুৱা স্বাৰ্থত্যাগৰ সপোন ৰচে। এইয়ে হল মানৱৰ পট। আন হাতে তৰুক বিয়া দিবলৈ সকলো মানুহ উঠি পৰি লাগিল। এহাতেদি তৰুৰ সন্মুখত প্ৰবল ধুমুহা। তাইৰ আৰাধ্য দেৱতাৰ কঠোৰ আদেশ যে মেট্ৰিক পাচ কৰিবই লাগিব। কিন্তু হিংসাকুৰীয়া

মানুহবোৰে তাইক নানান ধৰণৰ আশা-আকাংক্ষা দেখুৱাই অভিসন্ধি কৰিছে। তাইক নানান শিক্ষিত লৰাক আৰু ডাঙৰ বিষয়াক দেখুৱাই প্ৰলোভন দেখুৱাবলৈ ধৰিল। কিন্তু তাইৰ অন্তৰ কোনেও পাব নোৱাৰিলে। তাই হিমালয়ৰ দৰে অচল-অটল। তাইৰ অন্তৰখনে প্ৰকৃত পথ বিচাৰি হাবুডুবু খালে। পায় ক'ত ? ভাবৰ যে সীমা নাই। ইফালে স্কুলটো নপঢ়িলে নহয়। স্কুললৈও যায়; কাম-বনো কৰে আগৰ দৰে হাঁহি নাথাকে। তাই বৰ গহীন হৈ পৰিল। কাপোৰ কানি পিন্ধাউৰাতও তাই মন কান নিদিয়া হল। তাইৰ মুখখন ৰঙা হৈয়ো যায় আৰু খন্তেকতে ক'লা পৰিও যায়। নীলিমা বুকুৰ জোনবাই টোক ক'লা ডাৱৰ ছতাই আৱৰি ধৰাৰ দৰে। প্ৰতি মুহূৰ্ত্তে মুহূৰ্ত্তে বসন্তলৈ মনত পৰি দীঘল হুমুনিয়াহ কাঢ়ে। তাই ভাবে বসন্তই মোৰ এই অৱস্থা বুজিছেনে নাই ? বা বুজিবলৈ চেষ্টা কৰিবনে ? তেখেত যে ইমান-দূৰত উপায় কি ? কেতিয়াবা আহে ? তেখেতে মনৰ অৱস্থা বুজিলে বা মোক অন্যলৈ বিয়া দিয়া কথা শুনিলে, তেতিয়া আমাৰ ঘৰখনক বিশ্বাসঘাটকতা কৰিছে বুলি ঘৃণা কৰিব। মোৰ ওপৰতো অবিশ্বাসৰ ভাব আনিব। তেতিয়া মোৰ জীৱনৰ গতি কি হব। মোৰ অন্তৰত লুকাই থকা মৰমবোৰৰ ভমকা ফুলীয়া মালা গাঠি তেখেতৰ ডিঙিত হয়তো পিন্ধাবলৈ নাপাম। মই কোন সতেৰে মোৰ ককাই ভাইক মনোভাব বিলাক জনাম। আৰু জনালেও এই নীৰস প্ৰেমিক নিষ্ঠুৰ অন্তৰৰ মানুহবোৰে জানো বুজিব। নুবুজে ; ইহঁতে কেতিয়াও নুবুজে। ইহঁতৰ অন্তৰত মানুহৰ অন্তৰ নাই। আছে মাথো কুটিলা পৰহিংসা কৰা অন্তৰ। এই অন্তৰ লৈ আজিৰ মানুহ জীয়াই আছে।

এইবোৰ অন্তৰলৈয়ে আজিৰ সমাজ গঢ়িছে। আৰু মোৰ নিচিনা কতৰ ভাল পোৱাৰ প্ৰণয় পাহি মৰহী যাব লাগিছে জানে কোনে? তৰুৱে ভাবে মই নিজেই বসন্তক ভাল পাবলৈ গৈ আৰু তেখেতৰ লগত প্ৰতিজ্ঞাবদ্ধে বন্দী হৈ তেখেতৰ শুভ্ৰ নিখুত অন্তৰত আঘাত দিছো। তেখেতৰ সন্মানত হাত দিছো। এদিন বসন্তক বুকুত সাৱটি পুনৰ ভৰিৰে ঠেলি দিম কেনেকৈ। মোক যদিও আজি জগতৰ মানুহে নাজানে, কিন্তু শূন্য আকাশ, পৃথিবী, পানী, গছ-গছনিয়ে সকলোৱে চাই আছে; জানে যে নিজে হিয়া এবাৰ বসন্তক দি পুনৰ ফিৰাই অনাতো অকল মোৰেই দোষ নহয়; দেশৰ মাতৃ জাতিৰো অপমান। তাই এইবোৰ কথা চিন্তা কৰি নৈখনিৰ পাৰৰ ডুবুৰী বনতে বহি চাই আছে আকাশলৈ। তাইৰ লগৰী অনুৱে পিছ ফালৰ পৰা গাত চাপৰ মাৰি কলে—"

"কিয় তই দেখোন একেবাৰে শিলৰ মূৰ্ত্তি হৈ কি ভাবিছ?"

তৰুৱে হাঁহি মাৰি কলে—

"এৰা পাই বিহুতো ওচৰ পালেহি, চিৰা-পিঠা খুন্দিব লাগিব। কাৰে সৈতে খুন্দো ভাবিব পৰা নাই। মাৰো গা সিমান ভাল নহয়।"

"কেলৈ তোৰটো তেওঁ আহিব বুলি শুনিছো, দুয়ো লাগি ভাগি খুন্দিলেই হয়।"

"অনু তই পগলাৰ দৰে কি বকিছ, ক'ৰবাত মদ খালিনেকি?"

"হেৰ মই মদ খোৱা নাই তোক ধেমালিহে কৰিছো। বিহুত আৰু ধেমালি কৰিম। যেতিয়া তই আৰু…।"

"অনু তোৰ লাজ লগাযে উচিত। এইবোৰ কথা বাদ দে।"

তৰুৰ বিষয়ে অনুৱে বহুতো কথা জানে। সেই কাৰণে তাইক জোকাই ভাল পায়, অনুৱে কলে—

"আজি তই স্কুললৈ যোৱা নাইনেকি তৰু ?"

"এই মাত্ৰ কাপোৰ সলাই ইয়াতে বহিছো।"

"এৰা আজি-কালি তই আকৌ অকলশৰে ভাল পাব। আহ বাৰু তোৰ কোঠালৈ যাওঁ। মোৰ কিতাপ এখন চাব লগা হৈছে পায়।"

বল বুলি তৰু উঠি গ'ল। তাইৰ কোঠাটোতে বহি দুয়ো নানান ধৰণৰ কথা-বাৰ্ত্তা পাতিছে। তাৰ মাজতে বসন্তৰ কথাও এৰি দিয়া নাই। তৰুৱে এখন ৰুমালত ফুল তুলিছে। তাই ভাবিছে আজি নিশাটোৰ ভিতৰত ফুল তুলি শেষ কৰি ভাল কৈ ধুই ইস্ত্ৰি কৰি বাকচত ভৰাই থব লাগিব। বিহুৰ দিনাখন বসন্তক বহুত দিনৰ উপহাৰ দিব। কথাবাৰ্ত্তা পাতি অনুৱে কলে—

"মই যাওঁ; তই তোৰ কাম কৰ।"

অনুৱে বিদায় লৈ তাইৰ ঘৰলৈ গ'ল। তৰুৱে ৰুমালখনৰ কাম সন্ধিয়া চাকি জ্বলাই কৰিব ধৰিলে। মাকে কলে—

"তৰু অলপ ঘৰুৱা কামো ক'ৰচোন; মোক সহায় কৰি দে। মই বসন্ত আহিলে তোৰ কথা কবহে লাগিব কাম বন নকৰা কথা।"

"থোৱা থোৱা আৰু সেইবোৰ কথা। মোকনো কি কান-দুখন কাটি ভোৰতাল বাব।"

মাকে জানে যে তাই বসন্ত আহিব বুলি জানি সকলো কাম ঠিক কৰি থৈছে। বসন্তই যিবোৰ ভাল পায় আৰু যিবোৰ বেয়া পায়, তাক পৰিপাতিকৈ ৰাখিছে।

মাঘৰ বিহুলৈ আৰু দুদিন মান বাকী। মাকৰ লগত আলোচনা কৰি চিৰা-পিঠা খুন্দিবলৈ আয়োজন কৰিলে।

মাকে ভাবে দিনক দিনে তৰুৰ মনবোৰ গহীন হৈ আহিছে আৰু তাই প্ৰায় সময়তেই কিবা ভাবি থাকে। মাকে এইটোও জানে তেওঁলোকৰ বংশ পৰিয়ালে হেয়-জ্ঞান কৰা আৰু তাইক বসন্তৰ প্ৰতি মৰম ভাব এৰুৱাই আনলৈ বিয়া দিব খোজা কথা। মাকে এই বিষয়ে একো ভবা নাই। তেওঁ অন্য মানুহৰ কথাবোৰ শুনিহে থাকে। মাক বা যিসকল জ্ঞানী মানুহ তেখেত সকলে ভাবে, যদি তৰুৱে বসন্তক ভাল পায় বসন্তয়ো যদি তৰুক ভাল পায়, তেওঁলোকৰ আপত্তি কি? তেওঁলোকৰ সুখেই আমাৰ সুখ। এই বোৰ ভাবি চিন্তি মাকৰ নিজৰ কৰ্ত্তব্য কৰি গৈ আছে।

কালিলৈ বিহু, মাঘৰ পহিলা তাৰিখ; মানুহবোৰে ধুম-ধামেৰে কাপোৰ-কানি, গুৰ-চেনি, তেল-তিল, কিনিছে। দুখীয়াই দুখীয়া হিচাবে। সকলোৰে মুখত-মুকুতা জ্বলিছে। অগ্নি পূজাৰ কাৰণে ডাঙৰ-ডাঙৰ গছ-বোৰ কাটিছে। ধুম-খাম কৰি মেজি পাতিছে। গাঁৱ, নগৰ, চহৰ সকলোবোৰ তোলপাৰ লাগিছে। এইটো এটা উল্লাসৰ মাজত প্ৰণয় পাহিবোৰ জ্বলি উঠিছিল। কিন্তু নাই উঠা বসন্তৰ প্ৰাণত। সি ভাবে তাৰ এই দিনটোত যদি তাৰ মাক-বাপেক থাকিলহেঁতেন। কিমান আনন্দ পালেহেঁতেন। আজি সি তাৰ গাঁৱলৈ যাব। গাৱঁৰ মানুহবোৰৰ কথা ভাবে আৰু ভাবে তৰুইতৰ

ঘৰখন। সিটো তৰুৰ ৰংচোৱা মুখখনি চাই বহু দিনৰ হেপাহ পলোৱাব, আৰু কিমান দিনৰ সাঁচি থোৱা কথাবোৰ দুয়ো পাতিব।

সি তৰু আৰু দুলুলৈ হেপাহ ভৰাই বস্তুকিনি বাকচত ভৰালে। ৰাতি ১১ বজাৰ ট্ৰেনত তাৰ গাঁৱখনিলৈ যাব; তাৰ গাৱখনি যে তাৰ জীৱনৰ তীৰ্থস্থান, যত তাৰ মাতৃয়ে প্ৰসৱ কৰি তাৰ জীৱনৰ এছোৱা সময় পাৰ কৰি দিলে, সেই গাৱখন পুনৰ দেখিব। লগতে তাৰ সেই তৰু ....।

তাৰ আজিৰ দিনটো নাযায় সুপুৱাই। সি বাট চাইছে ১১টা বজাৰ ট্ৰেইনলৈ। ১০টা বাজিল। ৰিক্সা এখন মাতি বাকচটো আৰু বিছনাখন ভৰাই বোজাই কৰি মেচৰ মেনেজাৰটোৰ পৰা বিদায় লৈ ষ্টেচনলৈ গল। ষ্টেচনত ষ্টেচন মাষ্টৰৰ পৰা টিকেট দিয়াত জানিব পাৰিলে যে ১২টা বজাতহে ট্ৰেইন আহিব। আজি ১ ঘণ্টা পলম। সি যিমানেই খৰ-খেদাকৈ যাবলৈ ওলাইছে; সিমানেই তাৰ দেৰি হৈছে। ষ্টেচনত নানান ঠাইলৈ যোৱা যাত্ৰীৰ ভিৰ। সকলোবোৰ নিৰাশ মনেৰে বহি আছে। বসন্তয়ো তাৰ বিছনাখনতে বহি আছে আৰু ষ্টেচনৰ ডাঙৰ ঘড়ীটোলৈ চাই ভাবি আছে। সি ভাবে জীৱনৰ ইতিহাসত তৰুৰ শুকুলা মুখখনি বৰ্ণনাৰ অতীত। তাৰ বুকুৰ পৰশত তৰুৰ মন-আকাশত দিব সাঁত ৰঙৰ ৰামধেনু আকি। তাৰ চকুৰ পানীৰে লিখিব তৰুৰ জীৱনৰ প্ৰণয় কাহিনী। এই প্ৰণয় কাহিনীয়ে ঘৰে ঘৰে প্ৰত্যেক নৰ-নাৰীৰ ভালপোৱা গভীৰ কৰি পেলাব। সি ভাবে তৰুক মই বৰ্ত্তমান যুগৰ লগত খাপ-খুৱাই ডাঙৰ ভাবেৰে গঢ়ি জগতৰ মাতৃ-শাৰীত ঠিয় কৰাম। সকলোৱে জানি উঠিব; সেই

দিনাহে মোৰ সপোনবোৰে প্ৰস্ফুটিত হৈ উঠিব। মোৰ সাধনা, মোৰ কামনা, মোৰ লক্ষ্য সেইদিনাহে সফল হব। সি তৰুৰ দেউতাকৰ কথাবোৰলৈ মনত পৰি লিখিবলৈ ধৰিলে—

যতেই থাকা তুমি আশাৰ মালিতা ৰচি
লবা মোৰ প্ৰণয় নিৰ্ম্মালি ;
তোমাৰ আশীষ লৈ গঢ়িম নিজৰ দেশ
অৰ্পিম তোমাক ৰঙা জবা ফুল কলি।
সেইদিনা তুমি সোণ আহি অজানিতে মোৰ
প্ৰণয় পাহিত বোলাবাহি হাত ;
তৰু মোৰ জীৱনৰ কামনা বাসনা সনা
হৃদয়ৰ শত আশীৰ্ব্বাদ।

বসন্তক তৰুৰ দেউতাকে মৰম কৰিছিল, নিজৰ ল'ৰাৰ দৰে। লগে লগে বহুতো ধৰণৰ উপদেশ দিছিল। তৰুৰ দেউতাকে ভাবিছিল, তৰুক বসন্তৰ হাতত গতাব পাৰিলেই সুখ ; মোৰ ঘৰখন মোৰ অবিহনে সেইতৰ ওপৰত পৰিব। যদি মই তৰুক অন্য কাৰোবালৈ বিয়া দিওঁ ; তেতিয়া সি মোৰ আলসুৱা তৰুৰ মোল নুবুজিব। আৰু মোৰ এই জটিল সংসাৰখনৰ কথা বুজিবৰ চেষ্টা নকৰিব। মোৰ উঠি অহা পানাকণক গঢ়াটো হৈ নুঠিব। সেই আশা ভৰা বুকুতলৈ এদিন বসন্তক কৈছিল—'বসন্ত, তোক মই পুত্ৰ হিচাবে পাবলৈ আশা কৰো ; মোৰ এই বেমাৰী-অৱস্থাৰে আৰু কিমান দিন জীয়াই থাকিম কব পৰা নাই। গতিকে তৰুক তোক গতাইছোঁ আৰু লগতে ঘৰখন ; মোৰ আশীৰ্ব্বাদ তই দিনে দিনে উন্নতি খাপত আগবাঢ়, তই মোৰ এই আশা,

এই কল্পনা পূৰ্ণ ক'ৰ, তেতিয়া মই বহুতো চিন্তাৰ পৰা হাত সাৰিব পাৰিম। তোৰ পিতৃ-মাতৃ আমাকেই ভাবিবি! বসন্তৰ তেতিয়া দুয়ো গালে চকুলোৰে ওপচি গল। অন্য মানুহে কোনেও নাজানিলে, জানিলে মাথো তৰুৰ দেউতাকে আৰু নিৰৱ প্ৰকৃতিয়ে। সেই হেতু তৰুহঁতৰ ঘৰখনৰ প্ৰতি বসন্তৰ হেপাহ আৰু দেউতাকৰ প্ৰতি ভক্তি। দেউতাকৰ এই সপোন বসন্তয়ো পৰিণত কৰিব নোৱাৰিলে। তেওঁ এদিন বসন্তক বহুত দূৰত এৰি আৰু সেই জটিল ঘৰখন এৰি ক'ৰবালৈ গুচি 'গল। মাত্ৰ এদিন দুলুৰ পৰা চিঠি পালে যে—"দেউতা ইহ সংসাৰৰ পৰা পৰলোকলৈ গুচি গল!" সেই দিনা বসন্তই পৃথিৱীখন আন্ধাৰ দেখিছিল আৰু····। সি তাৰ বন্ধুবোৰক কৈ ফুৰিছিল যে আজিহে তাৰ পিতৃয়ে ইহ সংসাৰ ত্যাগ কৰিলে। তাৰ এই শোকাৱস্থা চাই আছিল মাথো তেওঁ····।

সেই গতিকেই বসন্তই পোনপটীয়াকৈ তৰুহঁতৰ ঘৰখনক ভাল পায়। সি ভাবে যদিও তৰুক দেউতাকে তাৰ হাতত অৰ্পণ কৰিছিল অথচ আনে নাজানে বা তৰুৱেও যদি বসন্তক ভাল পায় তেতিয়া হয়তো দহে হাঁহিব। এইবোৰ ভাবৰ পৰা সি তৰুক বিয়া নকৰায় অন্য ছোৱালীক বিয়া কৰাতো ঠিক কৰিছিল কিন্তু, তৰুৰ কঠোৰ আহ্বানে তাৰ সেই বিবাহ ভাঙি দিবলৈ বাধ্য কৰালে। আনকি এচ, ডি, চি হাকিমৰ মিণালী চৌধুৰীক মাতৃ হিচাবে বুজায় দিয়া কথাটো এইয়ে। কিন্তু তৰু আৰু বসন্তৰ এই মিলনত তৰুহঁতৰ সম্বন্ধীয় মানুহে বিচ্ছেদ কৰিবলৈ উঠি পৰি লাগিল। সেই কথা বসন্তই গম

পাই সিও তাৰ বিপৰীতে যাবলৈ বাধ্য হল। ট্ৰেইন আহি ষ্টেচন পালেহি। সি কবই নোৱাৰে যে ট্ৰেইনত যাব লাগিব। যেতিয়া বিদায় পৰত দীঘল উকি দিলে, তাৰ গাৰ নোম সিহঁৰি গল। লৰালৰিকৈ কথমতি ডবা এটাত সোমায় গল। সি এটুকুৰা ঠাই ঠিক কৰি বিছনাখন মেলি ভাবি ভাবি শুই গল। ট্ৰেইন জোৰেৰে আগুৱাবলৈ ধৰিল।

বসন্তৰ মূৰত হাত থৈ কলে—"তুমি মোৰ অনুৰোধ ৰক্ষা কৰিব লাগিব। তুমি মোৰ তৰুক বিবাহ কৰাবই লাগিব। তুমি মোৰ ঘৰখনৰ দায়িত্ব লব লাগিব. তুমি মোৰ আশা আকঙ্খা পূৰ্ণ কৰিবই লাগিব। তোমাৰ বাহিৰে মোৰ তৰুৰ জীৱনত সুখ নহব। মই জানো তোমাৰ মিলনত বহুতো বাধা বিঘিনি আছে। এই বাধা বিঘিনি অতিক্ৰম কৰি তুমি তৰুক বিবাহ কৰাবানে নকৰা ? কোৱা ; কোৱা ; নহলে মোৰ অভিশাপে তোমাক দেই পুৰি মাৰিব। দেই পুৰি মাৰিব········" সি কৰিম কৰিম বুলি চিঞৰি উঠিল।

ট্ৰেইনৰ মানুহ বোৰে আচৰিত হৈ তাক কি হল বুলি সুধিলে। সিকলে—"মই এটা সপোন দেখিছিলো।" সি বৰ লাজ পালে। এই-দৰেই সি তৰুৰ কাৰণে বহুতো অপমান সহ্য কৰিব লগা হৈছিল। সেই কাৰণে তৰুৱে এদিন শিৱ দ'লত প্ৰতিজ্ঞা কৰিছিল বসন্তৰ লগত হাত মিলাই। বসন্তই ঠিক কৰিলে যদি মই তৰুক বিবাহ কৰিব নোৱাৰো তেতিয়া মই চিৰ জীৱন অবিবাহিত হৈ থাকিম। এইদৰে ট্ৰেইন আহি যোৰহাট ষ্টেচন পালেহি। সি তাৰ গাৱঁখনলৈ যাব ; তাৰ ঘৰখন চাগে মলঙী আছে। সি ভাবিলে যেনে তেনে

বস্তুবোৰ তাতে ৰাখি তৰুহঁতৰ ঘৰলৈ যাব। তৰু আৰু ডুলুৰ মুখখন চাই জীৱনৰ শান্তি ঘূৰাই আনিব। সি ঘৰ পালেগৈ; যাওঁতে গাঁৱৰ মানুহ বোৰে ভাল বেয়াৰ বাতৰি লৈছিল।

....সন্ধ্যা ৰাণীয়ে মুখত কলা বৰণ ঘঁহি পোহৰক আৱৰি ধৰিছে। তৰু, ডুলুহঁতে গম পালে যে বসন্ত আহিল; ঘৰ পালেহি। সিহঁতৰ অন্তৰ নাচি উঠিল। ডুলুৱে বায়েকক নানান কথাকৈ ইঁহুৱাই লগতে খংও উঠাইছিল। মাকেও বসন্ত অহালৈ হেপাহেৰে চাই থাকিল। বসন্তই ঘৰত কাপোৰ কানি বোৰ থৈ তৰুহঁতৰ ঘৰলৈ গল। তৰুহঁতে বসন্তক বহুত দিনৰ মূৰত দেখা পাই বৰ আনন্দ পালে। চাহ জলপান খাই বৰ আনন্দেৰে আছে। তৰুৰ দদায়েকে বসন্তক খুব ভাল পায়। সেই গতিকে বসন্তক আজি থাকিবলৈ কলে। বসন্তয়ো তেওঁৰ অনুৰোধ ৰক্ষা কৰি থাকিবলৈ বাধ্য হল। আজি তৰুৰ ওঠত মুকুতাৰ থুপ; অন্তৰত ভাল পোৱাৰ যৌৱনৰ শত হেন্দোলনি। ৰূপ দিওঁতা তেওঁৰ কাষত। গাঁৱত মেজি পাতিছে। মেজি ৰখিবলৈ সকলো যাব লাগিব। তৰুৰ ভায়েক ডুলু আৰু দদায়েকো যাব। ডুলুহঁতৰ ভোজ, সকলো কাম কাজত ব্যস্ত; তৰুৰ মাকে ভাত পানী দি নিজৰ কামত লাগিল। তৰুৱে ভাবিছে আজি উজাগৰে থকা দিন। এই সুযোগতে বসন্তৰ সকলো মনৰ ভাব লোৱাতো উচিত। তৰুৱে তাৰ নিচেই কাষতে বহি কলে—

"দাদা অন্য মানুহে আজিৰ দিনত আনন্দেৰে থাকে, আপুনি দেখোন নিতাল নিস্তব্ধ।"

"এৰা আনৰ মনত আনন্দই দেখা দিছে আৰু মোৰ মনত বিষাদে দেখা দিছে।"

"কিয়, কি কাৰণতনো বিষাদ কৰিব লগা হল।"

"কলে জানো শুনিবা।"

"নিশ্চয়।"

"এটা বৰ ডাঙৰ দীঘল গল্প।"

"যিমানেই দীঘল্ল নহওক।"

"তোমাৰ তো পিঠা পোৱাৰহে সময়, তুমি জানো মোৰ লগত কথা পাতিবলৈ সময় পাবা।

"মোৰ পিঠা মই কালিয়েই পুৰিলো। এতিয়া মাৰ ভাগৰ পিঠা মাই পুৰিছে।"

"কও বাৰু শুনা। যৌৱনৰ ভৰ দুপৰীয়া ৰসাল পৃথিবীখনত প্ৰকৃতিয়ে দিয়া কোমল ঘাইঁনিত এটি হৰিণাই আপোন মনেৰে মূৰি চৰি ফুৰিছে। সি কাৰো একো আমনি কৰা নাই। প্ৰকৃতিৰ দান তাৰ ভোগ্য আহাৰ। অথচ মাংস লোভী মানুহে তাক কিয় লুকাই শৰ কৰি মাৰে, কোৱা তক।"

"সেই মানুহবোৰ হিংসাকুৰীয়া সেই গতিকে।"

"তেনে তোমাৰ আৰু মোৰ জীৱনৰ কাহিনী একেই; এই হৰিণাৰ দৰেই।

"কেতিয়াও হব নোৱাৰে। এই জটিলতাবোৰ চেৰাই যাব পৰাটোহে মানুহৰ লক্ষ্য। এই নিষ্ঠুৰ চিকাৰীবোৰক নিৰ্ম্মুল কৰা-টোৱেই হৈছে প্ৰকত মানুহৰ কৰ্ত্তব্য!"

"বাৰু তেনে, তৰু তোমাৰ মোৰ মৰম ভাল পোৱা বহুতো দিনঃ পৰাই নহয় ?"

"হয়, লৰালি কালৰ পৰাই।"

"এতিয়া তোমাক মই মোৰ মৰমৰ পৰা আতৰি যাবলৈ কৈছো মই তোমাক অনুৰোধ কৰোঁ।"

তৰুৱে কান্দি পেলালে। তাই কলে—

"আপোনাৰ মৰমৰ পৰা আঁতৰাই ৰখাব পৰা কাৰো ক্ষমতা নাই। আপুনিও হয়তো আঁতৰি য়াব নোৱাৰে।"

"তুমি যে মোৰ লগত বৰ কষ্ট পাবা। মই বৰ দুখীয়া। মোৰ ধন ধান একোৱেই নাই। কি লৈ তুমি মোক ইমান গধুৰ ভাবে ভাল পাবলৈ ইচ্ছা কৰিছা।"

"আপোনাৰ ধন-ধান নাই সঁচা, আপোনাৰ এখন বহল হিয়া আছে। যিখন হিয়া পালে মানুহৰ একো নহলেও সুখী হব পাৰে। সেই কাৰণেই মই আপোনাৰ হিয়ালৈ ভাল পাওঁ। সেই হিয়া খনকেই মোক দান দিব লাগে।"

"তোমাক দান মই কাহানিবাই দিলো। সেই শিৱৰাত্ৰীতেই; আজি পুনৰ দান কি দিম।"

"আপুনি তেনে ভঙুৱা শঙ্কৰ।"

"ঠিক ধৰিছা মই শঙ্কৰ। মোৰ একো নাই। মই এটা নাঙঠা ফকিৰ।"

"হওক, মোৰ আপত্তি কি। সেই দেখোন নাঙঠা শিৱৰ কাৰণে পাৰ্ব্বতীয়ে হেমন্ত ৰজাৰ ৰাজ অলঙ্কাৰ, ৰাজ শয়ন এৰি শিৱক স্বামী হিচাবে বৰণ কৰিলে।"

"অ' তুমি তেনে পাৰ্ব্বতী।"

"ওঁ ধৰি লওক!"

"তৰু নিশ্চয় তুমি মোৰ গৃহলক্ষ্মী, নিশ্চয় তোমাক পালে মই সুখী হম আৰু তোমাৰ দেউতাৰেই সৌ নীল মেঘৰ পৰা নিৰ্ম্মালী দিব। বাৰীৰ আম গছত পৰি ফেচাই কুৰুলিয়াই আছে। সিহঁতৰ প্ৰাণত ৰতি-কামে শৰ মাৰিলে। তৰু-বসন্তৰ বুকুৰ মাজত সোমায় গল। তাহঁতৰ মিলন বিচ্ছেদ কৰিব পৰা শক্তি কাৰো নহল।

* * * *

সূক্ষ্ম পৃথিবীত কুটিল মানুহৰ জন্ম। হয়তো সেই কাৰণেই আজি দুখীয়া-চহকী মনোভাববোৰ সৃষ্টি হৈছে! এই ঘৃণনীয় মনোভাব বোৰেই হৈছে দেশৰ কলঙ্ক আৰু দেশ পৰাধীন হোৱাৰ কাৰণ। যেনেকৈ মনুষ্যত্বৰ হীন হলে মানুহৰ শাৰী নাপায়, সেইদৰে স্বাৰ্থৰ খাতিৰত লোকৰ প্ৰণয় পাহিত কেৰোণে ধৰিলে সেই মানুহো মৰাৰ দৰে হয়। মানুহৰ স্মৃতি সদায় জীয়াই থাকে। কিন্তু জীয়াই নাথাকে অপকৰ্ম্মবোৰ। সেই কাৰণে বসন্তই প্ৰত্যেক কথাই চিন্তা কৰিছে আৰু আগ-পিচ চাই খোজ পেলাইছে। সি ভাৱে তৰুক বিয়া নকৰি আন এজনৰ হাতত অৰ্পণ কৰি সি চিৰ জীৱন অবিবাহিত হৈ থাকিব। কিন্তু তাৰ কল্পনাবোৰ আকাশত উৰি ফুৰে। সিও পৰিণত কৰিব পৰা নাই। সি বুজে, তৰুক যদিও অন্য বিলাসিতা প্ৰিয় আৰু শিক্ষিত লৰালৈ বিয়া দিয়া যায়, তাই হয়তো সুখী নহবও পাৰে। কিন্তু বিধিৰ মিলনত মানুহে ঘটাই বিচ্ছেদ। তাৰ সকলো কল্পনা মৰহাই দিছে। যেনেকৈ কুৰুক্ষেত্ৰৰ যুদ্ধ হল—শকুনিৰ নিজৰ স্বাৰ্থৰ খাতিৰত; কুট পাশা খেলি

ধৰ্ম্মশীল পাণ্ডৱক বনবাসত দিছিলে। সত্যবাদী পাণ্ডৱে সকলো সহ্য কৰি শেষত কুৰুকুল ধ্বংস কৰি ৰজা হল। আজিও ঠিক তেনেকৈ তৰুৰ আপোন মানুহ এজনে বসন্তলৈ এজনী ছোৱালী দিবলৈ ঠিক কৰি তৰুক অন্য লৰালৈ দিবলৈ ঠিক কৰিলে। তাইও সেই মানুহজনে চক্ৰান্ত কৰি মাতৃ সন্মান নষ্ট কৰি তৰুক লৈ গৈ সেই ল'ৰা জনৰ ঘৰতে ভাত খুৱালে। চাওক কিমান অন্যায়; কিমান সেই মাউৰী ছোৱালী জনীৰ সন্মানত আঘাত দিছে আৰু সেই তৰুক এই ৰাতি দিন খাবলৈ-শুবলৈ নিদি বসন্তক বেয়া পাবলৈ ভাটৌ চৰাইৰ দৰে মাত মাতিবলৈ শিকালে। আৰু অকল তৰুকে এনেদৰে ব্যবহাৰ কৰি তেওঁ সন্তোষিত হোৱা নাই। আৰু অকণমান ভায়েক ডুলুকো বসন্তৰ প্ৰতি বেয়া ভাব সুমুৱাই দিলে। এদিন যি ডুলুৱে বসন্তৰ বুকুত সোমায় কেচুৱা ল'ৰাৰ দৰে শুই থাকে, যি ডুলুৱে বসন্তই কিবা কাৰণত বেয়া পালে বুলি কান্দি কান্দি ভাত নোখোৱা হয়, সেই ডুলুৱেই আকৌ সেই মানুহজনৰ চালনাত পৰি বসন্তৰ নাম নুশুনে। এনেকুৱা শকুনিয়েই দেশৰ সৰ্ব্বনাশৰ মুল আৰু প্ৰকৃত প্ৰেমত ব্যাঘাট ঘটায়। অন্য এজনৰ ডিঙিত মাল্য দান দিয়াৰ কাৰণেই বোধ হয় সিহঁতৰ সংসাৰ সুখৰ নহয়। সেই হেতুকেই আজিৰ যুগত দেখা যায় স্বামী আৰু পত্নীৰ মাজত পাৰ্থক্য। এই দোমোজা ভাবৰ পৰাই সন্তান-সন্ততি বোৰো দোমোজা হৈ সিহঁতৰ মস্তিষ্ক বিকাশ প্ৰস্ফুটিত নহয়। সিহঁতক সঙ্কীৰ্ণ মনোভাবে আৱৰি ধৰে। বহলমনা বসন্তই এই ভাববোৰ গুচাবৰ কাৰণেই বিচাৰে প্ৰকৃত প্ৰেম আৰু বিচাৰে যি নাৰীয়ে যাকে

তাকে হিয়া বিলাব পাৰে, তেনে নিষ্ঠুৰ নাৰীৰ বিৰুদ্ধে সংগ্ৰাম। আৰু এই ঠগ প্ৰবঞ্চকৰ বিৰুদ্ধেই এদিন সকলো আগবাঢ়ি আহিব লাগিব। নহলে দেশৰ সকলো ফালৰ পৰাই সংক্ৰামক ব্যাধিয়ে দেখা দিব।

বসন্তই তাৰ অকলশৰীয়া ঘৰটি উৰলি যোৱাৰ অৱস্থা চাই তৰুলৈ মনত পৰি কৰুণ সুৰে লিখে কবিতা, সি লিখে উপন্যাস, সি লিখে দেশৰ জৰাজীৰ্ণ মানুহৰ গীত। সি তৰুলৈ বুলি এটি কবিতা লিখিলে—

তোমাৰ বুকুত সপোন সুৰভিৰে
সপোনপুৰৰ নাচোনেৰে নাচি ;
মই ওঠৰ পৰশ,
যিটি পৰশত ৰদ কাচলীত বহি
হাঁহি হাঁহি তুমি শান্তি পাবা ;
তোমাৰ উতলা প্ৰাণত।
দূৰণিত বজোৱা বাঁহীৰ শিহ ৰণে
তোমাৰ প্ৰাণত যৌৱন হিল্লোলে ;
সৌৰৱণ জোৱাৰ তুলিব,
যমুনাৰ ঢৌত উটি বুৰি তুমি
আহিবা যেতিয়া ৰিহা কাছুটি এৰি ;
নীলা মেঘৰ পৰা জুমি জুমি চাই মই
টুকিম চকুলোৰে প্ৰেমাঞ্জলি।
সিদিনাহে বুজিবা তৰু বৃন্দাবনত কৃষ্ণাই নাই।
আছে তাত প্ৰবঞ্চকৰ দ'ল।
আছে মাত্ৰ মৰিশালি।

যেতিয়া তুমি নিৰাশ মনেৰে
ঘূৰিবা নিজৰ ঘৰলৈ
পাটিৰ কেচুৱাই ফেকুৰি কান্দিব।
ৰাতিটো তুমি উজাগৰে
থাকিব লাগিব ॥

যেতিয়া তুমি মোৰ মৰম নেওচি
আনৰ ডিঙিত পিন্ধাবা মালা।
সেই দিনা মই চকু পানী টুকি
তোমাৰ হাতত দিম
কলিজাৰ ৰঙা জবা ॥

মোৰ মালাৰে ওৰণি দি
সাঁত ৰঙি ৰহন আনি
সূৰুযৰ দৰে চুমিম মই
তোমাৰ দুগালত
সেই দিনা ৰাতি ॥

সেই দিনা মোৰ প্ৰেমৰ বিদায়
এইটি জনমৰ পৰা—সেই দিনা—
সেই দিনা প্ৰিয়ে—
বুকুৰ তেজৰ
শলিতা জ্বলাই ॥

সি লিখে কি—জানে কোনে? সি জানি উঠিছিল, তাৰ বুকু কঁপি উঠিছিল। এনে চক্ৰান্তত তাৰ সেই মানসী প্ৰিয়া তক তাৰ জীৱণত

নাপায় যেন····। সেই কাৰণেই সি ভৱিষ্যৎ লিখে, সিভাবে মানুহৰ মিলন এবাৰ—দুবাৰ নহয়। দুবাৰ হলে তাত কোনো মাধুৰ্য্য নাই। মাত্ৰ পায় নিৰস প্ৰেম। এই নিৰস প্ৰেম ৰচিবলৈ সি ইচ্ছা নকৰে। কিন্তু তৰুৰ কোমল প্ৰাণত আঘাত লাগি তাই যদি হয় পগলা। যদি তৰুৱে অন্য মানুহৰ লগত বিবাহ নোসোমায়। যদি জোৰেৰে ককাই ভায়ে আনলৈ বিয়া দিয়ে তেতিয়া তাইৰ অৱস্থা কি'হব ?

ডাৱৰৰ আঁৰে আঁৰে জুমি চাম পৰে পৰে
তোমাৰ মুখত দিম বিজুলী হাঁহি।
দুখ বেদনা বোৰ পাতলাই মই
কাঢ়ি নিম বৰষুণৰ টোপালে দি॥
তোমাৰ শুৱনী কোঠাত পক্ষী ৰূপে মই
সুকণ্ঠ পালে আমনি কৰিম—
তেতিয়া মাৰিবা সোণ—
তোমাৰ সেই লৱনু হাতে।—

বসন্তৰ প্ৰাণত ভাবৰ ঢৌ। সি পগলাৰ দৰে যিহকে পাই তাকেই বলকে। যিহকেই আহে তাকে লিখে। সি তৰুৰ অন্যায় কৰিবলৈ ইচ্ছা নকৰে। তৰুৰ সুখত তাৰ আনন্দ। তৰুৱে যদি তাক এৰি দি অন্য কাৰোবাৰ লগত বিয়া সোমায়, তেতিয়াও তাৰ আপত্তি নাই। সি একেবাৰেই বিয়া নকৰায়; তাৰ অৱস্থাৰ বিষয়ে সি চকু নাৰাখে। এই দুখ লগা কৰুণ কাহিনীয়ে জানো কাৰোবাৰ অন্তৰত আঘাত দিব ? এই ৰসাল প্ৰেমিক দুটিৰ অৱস্থাৰ বিষয়ে জানো

মানুহে বুজিব ? কোনোৱাই জানো চকুপানী টুকিব ? মানুহৰ অন্তৰত দয়া মৰম নাই। সি ৰচিব তৰুৰ প্ৰেমৰ তাজমহল। সি ৰচিব তৰুৰ ঘৰখনৰ স্মৃতিৰ দল। সি তৰুৰ দেউতাকৰ কথালৈ মনত পৰি লিখে—

তোমাৰ সপোন দেৱ নহল বাস্তৱ
নোৱাৰিলো ৰাখিব তোমাৰ কথা
সেই হেতু তুমি দিয়া মোক অভিশাপ,
লম শিৰত উপদেশ বোৰ
তোমাৰ মৰম ভৰা ॥
তোমালৈ মোৰ ভক্তিৰ প্ৰদীপ
সদায় জ্বলাই থাকিম,
জন্ম জন্মান্তৰে তোমাৰ উপদেশ
মই কেনেকৈ পাহৰিম ॥

দেহি ঐ কিনো বসন্তৰ তৰুৰ দেউতাকলৈ ভক্তি, আদৰ। সেই হে আজি বসন্ত পগলাৰ দৰে হৈছে····। সি আজি একো কব নোৱাৰে। সি বাট চাই সেই দিন ! মিলন নহয় বিচ্ছেদ····হয়····জীৱনৰ····সমাধি।

* * * *

আজি মাঘৰ তৃতীয় দিন। বসন্তৰ মনত সকলোবোৰ কথাই পৰিছে। সি সেইকাৰণে তৰুহঁতৰ ঘৰলৈ বহুত দিন অহা নাই। তৰুৰ বুকুত কঁপনি হয় ; যেন কিবা অথন্তৰ। ককায়েকহঁতৰ কঠোৰ আদেশ, বসন্তক তাই পাহৰি পেলাব লাগে। তাই ভাবে বসন্তক এবাৰ কথা দি আনলৈ কি দৰে বিবাহ সোমায়। যদি মোৰ

কাৰণেই বসন্তৰ কিবা অমঙ্গল ঘটে ? তেতিয়া এই মহা পাপ কোনে লব ? তাই জানে ; দেউতাকে তাইক বসন্তৰ হাতত গতাই থৈ গৈছে। হয়তো বসন্তক নাপালে তৰুৰ সকলো আশা অকালতে শেষ হৈ যাব। তাইৰ এইভাব বোৰ দুলু আৰু ঘৰৰ আন মানুহে বুজিবলৈ যত্ন কৰিছে ; দুলুৱে তৰুক সেই মানুহজনৰ কথা মতে বুজাবলৈ ধৰিলে।

"বাইদেউ তোমাৰ কথাটো আমি ভাল দেখা নাই। তুমি বসন্তক ভাল পাবলৈ এৰি দিয়া। আমি তোমাক বসন্তলৈ কোনেৰকমেই দিব নোৱাৰো। তেওঁৰ আছে কি ? আৰু গাৱঁতে এনেকুৱা কাম কৰিলে মানুহে হাঁহিব।"

"দুলু তোৰ মুখত এনে ভাষা ওলোৱাটো বৰ আচৰিত কথা। যি বসন্তই তোক লৈ সুখৰ সপোন ৰচে, যি বসন্তই আজি তোক এই কথা কব পৰা অধিকাৰ দিছে, সেই বসন্তৰ বুকুত তই পদাঘাত কৰি তেওঁকেই কৱ তাৰ আছে কি ? কিমান দুখৰ বিষয় তই ভাবিচাছোন। আমাৰ ঘৰখন আজি তেওঁ নোহোৱা হলে উটি গলহেঁতেন। আমাৰ ককাই-ভায়ে আমাক কিমান হিংসা কৰে, তইতো সকলো জান ; উপকাৰীক অজগৰে খাব নাপায়। তেওঁৰ সেই মৰম, সেই ভালপোৱা কিমান সৰগীয়। তেওঁৰ একো নাই সঁচা, কিন্তু মানুহক যিখিনি আৱশ্যক তেওঁৰ অন্তৰত সেইখিনি আছে। সেই কাৰণে বসন্ত বহুতত কৈ উপযুক্ত। গাঁৱত হলে বুলিয়েই এনেকাম ঘৃণনীয় নহয়। মোৰ কাৰণেও নতুন কথা নহয়। বহুতেই এনেকাম কৰি গৈছে আৰু ভৱিষ্যতলৈও কৰিব। আমি দুখীয়া আৰু দেউতা নাই কাৰণেই আমাৰ

এই কাম ঘৃণণীয়। কিন্তু চহকী সকলৰ হলে ঘৃণণীয় নহয়। চাছোন; তোৰ, মোৰ, মৰম এৰিব নোৱাৰি ধনী মানুহৰ ঘৰৰ ছোৱালী এৰি দিলে; আনকি বহুতো টকা-কড়ী দিব খুজিছিল। তেনে এইবোৰ দোষ কাৰ? ডুলু এইবোৰ ভাব এৰি দে। মোৰ ভাগ্যত যি আছে সেয়েই হব।" তাই চকুপানী টোকে, ডুলুৱেও কান্দে।

ডুলুৱে ভাবে তৰুক ঘৰত নথৈ অন্য ঠাইত ৰাখি পঢ়ুৱাম আৰু তাৰ পৰাই বিয়া দিম। আন ঠাইত ৰাখিলে মনৰ পৰিবৰ্ত্তনো হব পাৰে। ডুলুক অন্য মানুহে এইদৰেও বুজাইছে যে ইয়াত তৰু থাকিলে সি অন্য প্ৰকাৰেও নিব পাৰিব। তাঁৰ অন্তৰত ভয় সোমায়। সেই কাৰণে তাৰো ভাৱৰ সৃষ্টি বাঢ়ি যায়। সি পঢ়া-শুনা কৰিব লাগে। কিন্তু অন্য ভাবত বুৰ যায়। এই মানুহবোৰে তৰুক পগলা কৰাৰ দৰে ডুলুকে: পগলা নকৰি নোৱাৰিলে। ডুলু অকলশৰে থাকিলে বসন্তৰ প্ৰতি মৰম বোৰলৈ মনত পৰি অজানিতে চকুলোৰ ধাৰা প্ৰবাহিত হয়। তাৰ চকুলো বুজনি দি মোহাৰিব কোনে? নাই, আজিৰ জগতত কোনো নাই।

মাকৰ অলপ জ্বৰ, মাকে বসন্তক নেদেখি মনত ভালপোৱা নাই। বসন্তক অহা নেদেখি মাকে ডুলুক কলে—

"ডুলু; বসন্তক মাতচোন। সি দেখোন আজি কেইবা দিনো অহা নাই!"

দদায়েকেও কয়—

"যা ডুলু; সেইবোৰ বাদ দে, সি সকলো বুজা ল'ৰা। সি যি কাম কৰিব ভালেইহে কৰিব। এইবোৰ শুনিলে তাৰ অন্তৰত আঘাত পাব।"

দুলুৱে নামাতে ; মাকে কয়—

"যা দুলু ; তাক মাতি আন, তাৰ আছে কোন ? আমাৰ হেঁপাহতেই সি আহিছে। আমি যদি তাক অনাদৰ কৰো, তেতিয়া কিমান অন্যায় হব। যা দুলু : অন্যৰ কথা নালাগে নহয় ; মোৰ কথাহে লাগে। মোৰ ভাল হলেই হল। যা তই, এতিয়াই যা।"

দুলুৱে মাকৰ কথা পেলাব নোৱাৰিলে।

সি বসন্তক মাতি আনিলে, বসন্তও আহিল। বসন্তই দেখিছে যে তাহাঁতৰ ঘৰখন কাইঁপৰি জীণযোৱাৰ দৰে হৈছে। ওচৰৰ মানুহবোৰৰ চকু ডাঙৰ ডাঙৰ হৈ পৰিছে। কিন্তু বসন্তই কোনো ভ্ৰূক্ষেপ কৰা নাই। যেনেকৈ মাতৃৰ কাষত মূৰ দোঁৱাই ভক্তিত তাৰ অশান্তি অন্তৰে শান্তি পায়। মাকে চাহ জলপান দিলে। তৰুৱেও তাক শুশ্ৰূষা নকৰি নোৱাৰিলে। মাকৰ হঠাতেই জ্বৰ বেছি হৈ আহিল। গাঁৱৰ মানুহে কোনো খবৰ লোৱা নাই। বসন্ত থাকিবলৈ বাধ্য। জ্বৰৰ শুশ্ৰূষাৰ দায়িত্ব ! ৰাতি হল, জ্বৰ কমা নাই। দুলু আৰু দদায়েক ইত ভাগৰি শুই পৰিল ! সৰু সৰু লৰা-ছোৱালীবোৰো শুলে। তৰু আৰু বসন্তই মাকৰ কাষতে বহি আছে। মিঠা তেলৰ চাকি এগছ কৃষ্ণ ফটোখনৰ ওচৰত জ্বলাই থৈছে। মাকে দুয়োধাৰে চকুলোবোৱাই পেলাইছে। ঘৰখনো বৰ গহীন হৈ পৰিছে। সপোন কুৱৰীয়ে মাকক সাৱটি ধৰিলে।

"তুমি এই সোণালী সুযোগতে তোমাৰ তৰুক বসন্তৰ হাতত গতাই দিয়া ! 'নহলে ভৱিষ্যতে বিপদ হোৱাৰ সম্ভাৱনা আছে। এদিন তুমি বসন্তক হেৰুৱাই কান্দিবা। কোনো ভয় নকৰিবা। মই আশীৰ্ব্বাদ

দিছো যেন ইহঁতৰ মিলন, ইহঁতৰ সংসাৰ সুখৰ হয়। তুমি নিশ্চয় ভাল হবা। মই তোমাক বসন্তকেই গতালো। তুমি এই দুটিক লৈ তোমাৰ ঘৰখন আনন্দেৰে চলোৱা। ভয় নাই; ভয় নাই।" মাক উচপ খাই উঠিল। বসন্ত আৰু তৰু ওচৰ চাপি আহিল। কি হল বুলি। "চাওঁ বসন্ত তোমাৰ হাতখন দিয়া। তৰু তই মোৰ ওচৰলৈ আহ।" তৰুৰ হাতখন বসন্তৰ হাতৰ ওপৰত ৰাখি কলে "তোমালোকে মোৰ কাৰণে চিন্তা নকৰিবা। দেউতাৰে আহি মোক কৈ গৈছে, মই আজিৰ পৰা তোমাৰ হাতত তৰুক গতালো। মোৰ আলসুৱা তৰুক তুমি খুব মৰমেৰে চুলাবা। তৰু; তই মোৰ আৰু দেউতাৰৰ আশীৰ্ব্বাদ লৈ এওঁক স্বামী হিচাবে ভক্তি কৰিবি। যাতে তেওঁ-কোনো কথাতে বেজাৰ পাব নোৱাৰে!"

মাকৰ চকুৰ পৰা দুধাৰ চকুলো। তাহাঁতৰ হাত পৰি গল। তৰু আৰু বসন্তৰ চকুলো দুটোপাল বাগৰি গল। তৰু আৰু বসন্তই কৈ উঠিল। আমাৰ এই প্ৰেমৰ প্ৰদীপ জ্বলিয়েই থাকিব।

—তৰুৱে ঘপহ কৰি কৈ উঠিল।

"মাতৃ তোমাৰ আশীষ নিৰ্ম্মালী লৈ আগুৱাই যাম আন্ধাৰৰ পৰা পোহৰলৈ—দিবা তুমি পথ দেখুৱাই। জগতৰ জৰা জীৰ্ণ পঁট লিখি চেতনা বিহীন সমাজক জগাই তুলিম। দিয়া মাতৃ পুনৰ আশীৰ্ব্বাদ।"

"বাচাহঁত, মোৰ আশীৰ্ব্বাদত তোমালোক সুখী হোৱা। তোমালোকৰ ভাল পোৱাই সকলো ভাল পোৱা গভীৰ কৰি তুলিব। মোৰ···ধা·········ওঁ—মাকে আৰু মাতিব নোৱাৰিলে। একেবাহে জ্বলি থকা বন্তি গছিলৈ চাই ৰল—চকু আৰু নপচাৰিলে। বসন্ত তৰুৱে

হিয়া ধাকুৰিয়াই কান্দিলে। সকলো ঘৰৰ মানুহ উচপ খায় সাৰ পাই উঠি চিঞৰি চিঞৰি কান্দিলে। গাৱঁৰ মানুহবোৰে ঘৰ ভৰি পৰিল, জোনৰ পোহৰ ডাৱৰ চমকাই ঢাকি ধৰিলে— আকাশৰ তৰা ফুলবোৰ লুকাই গল। খন্তেকতেই চিতা জুই দপ দপ কৰি জ্বলি উঠিল মাটিৰ মানুহ মাটিতেই লীন হল। থৈ গল মাথো হিয়াৰ বিননী, স্মৃতিৰ কণিকাৰ জোকাৰণি।

সি হেনো পগলা, গীয় ভাল পায়। সকাহ পাই গীত গায়—

চাই চিতি পেলাবি খোজ হেৰ মানুহ

চাই চিতি পেলাবি খোজ

তোৰ পথত থাকিব পাৰে

বাধা বিঘিনি—

খোজতো থাকিব পাৰে শূল

অ' মানুহ চাইচিতি পেলাবি খোজ

খন্তেকীয়া মায়া মোহত

ভোল গৈ মানুহ

নিছিনিলি নিজৰ হৰিক

মাটিৰ মানুহ তই

মাটিত বাহ যাবি

কুৰিবিনো আৰু কেইদিন বেহানী—

অ' মানুহ চাই চিতি

NABIN BARDOLAI HALL & LIBR
অঙ্ক। ...
... 1959

THE NABIN BARDOLAI HALL & LIBRARY
13 SEP 1959
GAUHATI

একে লিখকৰ

১। “ৰবৰ” গণিমী।

২। কৈঁচা তেজৰ চেকুৰা ১ম খণ্ড।

প্ৰকাশৰ পথত—

৩। কৈঁচা তেজৰ চেকুৰা ২য় খণ্ড।

৪। যৌৱন যেতিয়া উৰ্ব্বলী যাব।

৫। মোৰ প্ৰিয়ালৈ মুকলি চিঠি।

৬। আদৰ্শ কোন পথে।

৭। ৰংপুৰত মুকুতাৰ খনি।

৮। দেউতা মোৰ বিয়া খন।